# পঞ্চম অধ্যায়

## ৫.০০ সাম্প্ৰতিক সমাজ জীৱনত স্নেহ দেৱীৰ গল্পৰ গুৰুত্ব

যুগৰ পৰিবৰ্তনৰ লগে লগে সমাজ, সংস্কৃতি আদিৰো পৰিবৰ্তন ঘটে। তাহানিৰ সমাজ ব্যৱস্থাৰ লগত আজিৰ সমাজ ব্যৱস্থাৰ সংগতি নোহোৱা হৈছে যদিও পৰম্পৰাগত ভাৱে চলি অহা কিছু নিয়ম-নীতি আজিৰ যুগতো লোকসমাজে নুই কৰিব পৰা নাই। স্নেহদেৱীৰ গল্পসমূহত তেওঁৰ সমসাময়িক সমাজখন প্ৰতিফলিত হৈছে যদিও বৰ্তমানৰ সমাজ জীৱনতো গল্পৰ কাহিনীবোৰৰ সত্যতা নুই কৰিব নোৱাৰি। সেই বাবেই এই অধ্যায়ত বিশেষকৈ স্নেহদেৱীৰ গল্পত প্ৰতিফলিত হোৱা সমাজখনৰ সাম্প্ৰতিক কালত গুৰুত্ব আছে নে নাই সেইবোৰ অধ্যয়ন কৰাই মূল উদ্দেশ্য।

কুৰি শতিকাৰ আৰম্ভণিতে জন্ম গ্ৰহণ কৰা স্নেহ দেৱীয়ে সাহিত্য জগতত পূৰ্ণভাবে প্ৰৱেশ কৰিলে পঞ্চাশ, ষাঠিৰ দশকতহে। ভাৰতৰ স্বাধীনতা আন্দোলনে তেতিয়াৰ সমাজ জীৱনৰ বহু পৰিবৰ্তন আনিছিল। বিশেষকৈ গ্ৰাম্য সমাজ জীৱনতো লাহে লাহে পৰিবৰ্তন আহিল। কিন্তু সেই সময়ৰ মানুহখিনিৰ ৰক্ষণশীল মনোভাৱ পূৰ্ণৰূপে আঁতৰি নগ'ল। স্বাধীনতাৰ পূৰ্বে নাৰী শিক্ষাক সমাজে প্ৰাধান্য দিয়া নাছিল যদিও লাহে লাহে নাৰীক শিক্ষাৰ ক্ষেত্ৰলৈ আগবাঢ়িবলৈ সমাজে কিছু সুবিধা কৰি দিলে। বিশেষকৈ মহাত্মা গান্ধীৰ নেতৃত্বত স্ত্ৰী শিক্ষাৰ সজাগতা আৰম্ভ হ'ল। 'আনুষ্ঠানিক শিক্ষা নথকা নাৰীকে এই ঢৌৱে স্পৰ্শ কৰিছিল। এই ক্ষেত্ৰত অৰবিন্দ ৰাজখোৱাই মন্তব্য কৰিছে যে-

> "গান্ধীজীয়ে জনসাধাৰণক শিক্ষা, বিশেষকৈ স্ত্ৰী শিক্ষাৰ প্ৰতি মনোযোগ দিবলৈ কৈছিল। সংখ্যাত তাকৰ হ'লেও অসমৰ নগৰ অঞ্চলৰ কিছু অভিভাৱকে শিক্ষা দিবলৈ ওলাই আহিছিল। সেই কালত চৈধ্য-পোন্ধৰ বছৰত ছোৱালীক বিয়াই দিয়া হৈছিল। গতিকে ছোৱালীৰ এনে শিক্ষা গ্ৰহণৰ কাল নিচেই চমু আছিল।"[১]

এনেবোৰ কাৰণতেই এইখিনি সময়ত নাৰী লেখিকাৰ সংখ্যা কমেই আছিল।

স্নেহ দেৱীৰ চাৰিখন গল্পপুথিৰ গল্পকে ধৰি প্ৰায় পাঁচশৰো অধিক গল্প ৰচনা কৰিছে বুলি উল্লেখ আছে যদিও সংৰক্ষণৰ অভাৱত *'স্নেহ দেৱীৰ ৰচনা সম্ভাৰ'*ত ৮৫টা মান গল্পহে সংৰক্ষিত হৈছে। আৱাহন যুগতেই গল্প লিখিবলৈ আৰম্ভ কৰা স্নেহ দেৱীৰ গল্পই *'ৰামধেনু'*ৰ যোগেদিহে পৰিপূৰ্ণতা লাভ কৰে। ৰামধেনুৰ গল্পকাৰসকল বিশেষকৈ সচেতন হ'ল অসমৰ গ্ৰাম্য সমাজখনৰ বিভিন্ন দিশবোৰ উদঘাটন কৰি সমস্যাসমূহৰ সমাধানৰ লগতে অন্যায়-অবিচাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদত। স্বাধীনতাৰ পৰৱৰ্তী কালৰ ৰাজনৈতিক বিশৃংখলতা আৰু মানৱতাহীন, আদৰ্শহীন

ভাবধাৰাবোৰ চুটিগল্পবোৰত মূৰ্ত হ'ল। নগৰীয়া জীৱনৰ প্ৰতি আকৰ্ষণে মানুহক মানৱতাহীন কৰি তুলিলে। এই ক্ষেত্ৰত প্ৰাপ্তি ঠাকুৰে *'ৰামধেনুৰ চুটিগল্প'*ত কৈছে যে —

> 'ৰামধেনু'ৰ কেইবাজনো শ্ৰেষ্ঠ গল্পকাৰে এই গাঁৱলীয়া সমাজক ভিত্তি কৰিয়েই কেইবাটাও সুখপাঠ্য অবিস্মৰণীয় গল্প লিখি উলিয়াইছে। জীৱন আৰু সমাজৰ বৈচিত্ৰ্যপূৰ্ণ অভিজ্ঞতাই গল্পকাৰসকলক অভিজ্ঞ কৰি তুলিলে— সেই সময়ৰ পৰিবৰ্তনশীল সমাজৰ বৈচিত্ৰপূৰ্ণ অভিজ্ঞতাই আৰু সমস্যাত জৰ্জৰিত হোৱা ব্যক্তিৰ আশা-নিৰাশা কামনা-বাসনা, সুখ-দুখৰ সংবাদক সেই যুগৰ গল্পকাৰে ৰূপ দিবলৈ চেষ্টা চলালে।"[২]

স্নেহ দেৱীৰ গল্পত সেই সময়ৰ অৰ্থনৈতিক অৱস্থা, সামাজিক স্থিতি, সাংস্কৃতিক দিশ আদি সুন্দৰভাবে প্ৰকাশ পোৱা দেখা যায়। এওঁৰ গল্পৰ বিষয়বস্তু আছিল গতানুগতিক। সদায় লগ পোৱা মানুহৰ পাৰিবাৰিক জীৱনৰ সুখ-দুখ, আশা-নিৰাশা, দ্বন্দ্ব সমস্যা আদি দিশবোৰ অংকন কৰিছে। স্নেহ দেৱীৰ গল্পত নতুনত্ব বিচাৰি নাপালেও মানুহৰ গতানুগতিক জীৱনধাৰাৰ বিভিন্ন সমস্যা মূৰ্ত হৈ উঠিছে।

গ্ৰাম্য গৃহস্থী জীৱনৰ চিত্ৰ অংকনত স্নেহ দেৱী সিদ্ধহস্ত। গল্পকাৰে চৰিত্ৰৰ অন্তৰ্জগতত প্ৰৱেশ কৰি গভীৰ জীৱনবোধৰ পৰিচয় দিবলৈ সক্ষম হৈছে। এইবোৰ বিশেষত্বই তেখেতৰ গল্পৰ শিল্পগুণ বৃদ্ধি কৰাৰ লগতে গল্পবোৰ সুখপাঠ্য কৰি তুলিছে।

স্নেহ দেৱী আছিল সমসাময়িক সমাজখনৰ প্ৰতি সচেতন আৰু বাস্তৱবাদী লেখিকা। সেয়ে তেখেতৰ গল্পবোৰত সমসাময়িক মানুহবোৰৰ বিভিন্ন দিশবিলাক প্ৰকাশি উঠিছে। গল্পবোৰৰ কাহিনীবোৰ বাস্তৱসন্মত। তেখেতে নিজেই কৈছে, বিভিন্ন সময়ত লগ পোৱা মানুহবোৰে সংসাৰৰ সুখ-দুখ, হৰ্ষ-বিষাদ আদি বিৱৰি কোৱা ঘটনাবোৰেই গল্পৰ কাহিনী আৰু লগ পোৱা সেই মানুহবোৰেই তেখেতৰ গল্পৰ চৰিত্ৰ। সেয়ে বাস্তৱসন্মত কাহিনী হোৱা বাবে তদানীন্তন সমাজখনৰ প্ৰকৃত প্ৰতিচ্ছৱি জীৱন্ত ৰূপত গল্পবোৰত প্ৰতিফলিত হৈছে।

### ৫.০১ স্নেহ দেৱীৰ গল্পত সমসাময়িক সামাজিক সমস্যাসমূহৰ প্ৰতিফলন

মানুহ মাত্ৰেই সমস্যা থাকেই ।ব্যক্তিগত সমস্যা সমূহ কেতিয়াবা পৰিয়াল তথা সমাজলৈকেও বিস্তাৰিত হোৱা দেখা যায়। স্নেহদেৱীৰ গল্পত তেনে ধৰনৰ বিভিন্ন সামাজিক সমস্যাৰ প্ৰতিফলন ঘটা দেখা যায়। তেওঁ ৰচিত গল্পসমূহত প্ৰতিফলিত হোৱা তদানীন্তন সমাজখনৰ বিভিন্ন সামাজিক সমস্যাসমূহৰ বিশ্লেষণৰ বাবে এই উপ-অধ্যায়টোত প্ৰয়াস কৰা হ'ল।

স্নেহ দেৱীৰ গল্পবোৰ অধ্যয়ন কৰিলে আমি দেখা পাওঁ যে সমসাময়িক সমাজখনৰ বিভিন্ন সমস্যা এক জীৱন্ত ৰূপত প্ৰতিফলিত হৈছে। স্নেহ দেৱীৰ প্ৰায়ভাগ গল্প বাস্তৱতাৰ ওপৰত ভিত্তি কৰি ৰচিত। সেয়ে তেওঁৰ সমসাময়িক সমাজৰ বিভিন্ন সমস্যা সম্পৰ্কে তেওঁ অৱগত। তেওঁৰ প্ৰায়ভাগ গল্পই গ্ৰাম্য সমাজখনৰ প্ৰতিচ্ছবিৰে পৰিপূৰ্ণ। সেয়ে গ্ৰাম্য সমাজৰ বিভিন্ন অভাৱ-অভিযোগ, দ্বন্দ্ব, সমস্যা, এওঁৰ গল্পৰ যোগেদি উদ্ভাসিত হৈ উঠিছে।

সমসাময়িক সমাজখনৰ অৰ্থনৈতিক অৱস্থাৰ কথা স্নেহদেবীৰ গল্পবোৰৰ মাধ্যমেদি প্ৰতিফলিত হৈছে। স্বাধীনতাৰ পিছত অসমৰ গ্ৰাম্য জীৱনধাৰাত তীব্ৰ আৰ্থিক সংকটে দেখা দিছিল। তাহানিৰ ভঁৰাল ভৰ্তি ধান, গোহালি ভৰ্তি গৰু, মাছ ভৰ্তি পুখুৰী, ফল-ফুল, শাক-পাচলি ভৰ্তি বাৰী যেন কাৰো নোহোৱা হ'ল। গ্ৰাম্য অৰ্থনীতিৰ পয়ালগা অৱস্থাই মানুহক বিভিন্ন অনৈতিক কাৰ্যত লিপ্ত কৰালে, বৃটিছৰ মুদ্ৰা ব্যৱস্থাই বজাৰৰ সৃষ্টি কৰিলে। এই বজাৰ ব্যৱস্থাই গ্ৰাম্য অৰ্থনীতিতো জোকাৰনি তুলিলে। *'অন্তৰালত'* গল্পটোত গুণীনে তিনি আলিৰ মূৰত এখন দোকান দিয়াৰ কথা চিন্তা কৰিছে। *'যাদু'* গল্পটোত কৰিমে বজাৰলৈ সুমথিৰা টেঙা বিক্ৰী কৰিবলৈ গৈছে। *'সম্বল'* গল্পৰ ৰুকনীয়ে লিচু বিক্ৰী কৰিছে।

*'মনে মনে'* গল্পটোত নিজৰ সন্তানক অলপ পুষ্টিকৰ আহাৰ খুৱাবলৈও মাক-দেউতাক অসমৰ্থ। পুষ্টিহীনতাৰ ফলত দিনকদিনে স্বাস্থ্য হানি হোৱা পুতেকক মন থাকিলেও এটা কণী কিনি আনি খুৱাবলৈও সামৰ্থহীন পৰিয়ালটোৱে লোকৰ কুকুৰাজনীক কণী পৰাৰ আশাৰে বাট চাই থাকে। ভাবে অন্ততঃ এটা কণী পালে পুতেকক খুৱাব পাৰিলেহেঁতেন—

> এবাৰ পোহৰৰ স্বাস্থ্যৰ বিষয়ে কথা ওলাওতে বায়েকে মন্তব্য দিছিল— ইয়াক সদায় এটাকৈ আধাসিজা কুকুৰাকণী খুৱাবলৈ ধৰাচোন। মই ইহঁতক সদায় খুৱাওঁ, ডাক্তৰেও কৈছিল।" যমুনাই নিস্পৃহভাৱে 'অ' বুলি শলাগি থৈছিল। সেই কথাবোৰো মনত পৰিল। দিনে এটাকৈ কণী মানে দিনে চাৰি অনাকৈ পইচা। অৰ্থাৎ মাহে আঠ টকা। কুকুৰাজনী কিবা ক'ৰবাত হেৰাই পাব পৰা বস্তুনে?[৩]

দৰিদ্ৰতাই কোঙা কৰি দিয়া কমল আৰু যমুনাৰ সংসাৰখনত এটা কণী কিনি খুৱাব নোৱাৰা অৱস্থাই সমসাময়িক সমাজখনৰ ভূমিহীন, কৰ্মহীন সাধাৰণ মানুহৰ অৱস্থাকেই প্ৰতিফলিত কৰিছে। দেশে স্বাধীনতা পালে যদিও দৰিদ্ৰসকল দৰিদ্ৰ হৈয়েই থাকিল। গল্পটোৰ জৰিয়তে তদানীন্তন সমাজখনৰ দৰিদ্ৰতা, অভাৱ, অভিযোগৰ এক জীয়া ছবি দাঙি ধৰা হৈছে।

স্নেহ দেৱীৰ *'এধানি প্ৰাণৰ ব্যথা'* গল্পটোত পূৰ্ণাৰ ককাক-আইতাকে দৰিদ্ৰতাৰ টাপলি মাৰিবলৈ দুয়োজনে কঠোৰ শ্ৰম কৰিবলগীয়া হৈছে। দোকমোকালিতে ওলাই যোৱা ককাকে চাহ দোকানত

কাম কৰে আৰু আইতাকে ঘৰতে ধানৰ চাউল কৰি বিক্ৰী কৰে। কথাখিনিৰ প্ৰতিফলন গল্পকাৰৰ গল্পত এনেদৰে ঘটিছে —

"বুঢ়া আছে যদিও নাতিনীয়ে ককাকক কেতিয়াবা কাচিৎহে দেখা পায়। বুঢ়াই কাম কৰে আধা মাইল দূৰৈৰ এখন মিঠাই দোকানত। পুৱা চাৰি বজাতেই ওলাই যাব লাগে। ঘৰ সোমায়হি ৰাতি অন্তত দহ বজাৰ আগতে নহয়। দুয়ো সময়তে নাতিনীয়েক পূৰ্ণা গভীৰ টোপনিত থকাৰ কথা।"[৪]

পাৰিবাৰিক স্নেহৰ সময়কনো দৰিদ্ৰতাৰ লগত যুজি পাৰ কৰিবলগা হোৱা পাৰিবাৰিক সমস্যাৰ পৰিস্ফুৰণ গল্পৰ মাধ্যমেৰে স্পষ্টৰূপত কৰা হৈছে। পূৰ্ণাৰ আইতাকো চাউলৰ বেপাৰ কৰি কোনোমতে সংসাৰখনত জোৰা-টাপলি মৰা কথাও গল্পটোত আছে —

"চাউলৰ বেপাৰ কৰি খাব পাৰিছো, তোক স্কুলত পঢ়াবও পাৰিম, খুৱাবও পাৰিম। ওলা।"[৫]

আৰ্থিক দৈন্যতাই জুৰুলা কৰা একোখন ঘৰৰ জীয়া প্ৰতিচ্ছবিৰে পূৰ্ণা আৰু বুঢ়া-বুঢ়ীৰ জীৱন ধাৰণৰ বৰ্ণনাও গল্পটোত সুন্দৰকৈ আছে —

"মাঘ মাহৰ এটা আবেলি। বতৰ ডাৱৰীয়া। আপদীয়া। অসময়তে সন্ধ্যা নামি আহিছিল। আঠহাত দীঘল ছয় হাত বহল টকৌ পাতৰ জুৰুলা ঘৰটোত ঠায়ে ঠায়ে উৰুখিছে। বেৰত লগাই পতা শোৱা চাংখনৰ ওপৰত বিছনাৰ কাপোৰখিনি লুৰিয়াই সাৱধানে থোৱা আছে। চুকৰ ৰন্ধা-বঢ়া কৰা চৌকাটোৰ ওচৰতো পানী পৰিছে। ঘৰটোৰ মাজতে ভগা কেৰাহী এখনত একুৰা জুই জ্বলাই লৈ বুঢ়ীমাকে আৰু নাতিনীয়েকে বহি আছে। কিন্তু জুই ফুউৰা হোৱা নাই; ধোঁৱাৰ কোবত মাজে মাজে মুখ বিকটাই চকু মুদি, ইফালে সিফালে মূৰ লৰাই থকাহে হৈছিল। মাজে মাজে বুঢ়ীয়ে জুইত দি আছিল দুই-এডাল জেং খৰি, বৰযুণত তিতা।"[৬]

প্ৰকৃতিৰ ওপৰতো তেওঁলোকৰ সংসাৰ নিৰ্ভৰশীল। বতৰ বেয়া হ'লে ধান নুশুকায় তেতিয়া চাউলৰ বেপাৰো বন্ধ হয়—

কেতিয়াবা ডাৱৰীয়া বতৰত ধান নুশুকালে বুঢ়ীয়ে অকলে বলকে—

"চাউল উলিয়াব নোৱাৰিলে কিযে উপায় হ'ব। তিনিটা পেট আজিকালিৰ দিনত চলোৱাটো কম কথা নহয়; ঈশ্বৰেনো কি চাই আছা? পূৰ্ণায়ো তেনে সময়ত নীৰৱেই আকাশৰ ডাৱৰৰ ফালে চাই ৰয়, বৰ অভিজ্ঞজনীৰ দৰে।"[৭]

দৰিদ্ৰতাৰে জৰ্জৰিত সংসাৰখনত পূৰ্ণাৰ দৰে অকণমানি ছোৱালীজনীয়ে ভাবিবলৈ যেন বাধ্য হৈছে মানুহৰ মৃত্যু মানেই মুক্তি আৰু অভাৱৰ পৰা কিছু পৰিত্ৰাণ—

"ঘৰত পূৰ্ণা আৰু বুঢ়ী। বুঢ়ীয়ে আগৰ দৰেই চাউলৰ কাৰবাৰ কৰে। কোনোমতে চলি যায়, বুঢ়ীৰ কামত সহায় কৰি দি পূৰ্ণাই ভাবে— ককাইনো কিমানমুঠি ভাত খাইছিল! তথাপি আমাৰ দুটা পেট হ'ল। এটা কমিল।"[৮]

গল্পটোত তদানীন্তন সমাজৰ দৰিদ্ৰ, অভাৱগ্ৰস্ত পৰিয়ালবোৰৰ এক বাস্তৱ ছবি চিত্ৰিত হৈছে। দুখীয়া মানুহখিনিয়ে কঠোৰ পৰিশ্ৰম কৰিও দুবেলা দুমুঠি খাবলৈ নাপায়, পিন্ধিবলৈ কাপোৰ এখন নাপায়। অৰ্থনৈতিক অনগ্ৰসৰতাৰ ফলতেই এই দৰিদ্ৰ শ্ৰেণীয়ে জীয়াই থাকিবলৈ হাহাকাৰ কৰিবলগীয়া হৈছে। সমসাময়িক সমাজখনৰ অৰ্থনৈতিক অনগ্ৰসৰতা আৰু কেবাটাও গল্পত চিত্ৰিত হৈছে।

*‘ফুলীবাই’* গল্পটোত ফুলীয়ে দৰিদ্ৰতাৰ কবলত পৰি আনৰ ঘৰৰ সহায়ক হিচাপে কাম কৰি যি পায় তাৰেই সংসাৰ চলাইছে। *‘নিশাৰ পখী’* গল্পটোত ধনঞ্জয়ে সংসাৰ চলাবলৈ দোকান দিছে, মাজে মাজে জ্যোতিষীৰ কাম কৰিও দুই-চাৰি পইচা ঘটিছে। *‘ভাতৃ’* গল্পত মঠৰামে গাঁৱত কৃষক-শ্ৰমিক হিচাপে কাম কৰাৰ বিপৰীতে ভায়েক মিঠুৱে চহৰত ইটাভাটাৰ মহৰীৰ কাম কৰিছে। *‘বিপত্তি’* গল্পটোত গোলাকচাঁদে দৰিদ্ৰতাৰ পৰা মুক্তি পাবলৈ পত্নীসহ গজপতি মহাজনৰ তাত কাম কৰিছে। *‘মৰম’* গল্পটোত যমুনা আৰু নীৰা কৰ্ম সংস্থাপনৰ বাবে চহৰমুখী হৈছে। *‘নিৰ্ভেজাল’* গল্পটোত মোহিনী নামৰ ছোৱালীগৰাকী দৰিদ্ৰতাৰ বাবে লোকৰ ঘৰত কাম কৰাকৈ থাকিবলগা হৈছে। *‘প্ৰত্যয়’* গল্পটোত প্ৰভা নামৰ ছোৱালীগৰাকীয়ে নিজৰ পঢ়া খৰচ উলিয়াবলৈ লোকৰ ঘৰত টিউচন কৰিবলগা হৈছে।

স্নেহ দেৱীৰ এনে গল্পবোৰত সমসাময়িক সমাজখনৰ অভাৱগ্ৰস্ত মানুহখিনিৰ জীৱন-যন্ত্ৰণাৰ ছবি প্ৰতিফলিত হৈছে। কৰ্ম সন্ধানত মানুহ লাহে লাহে চহৰমুখী হ’বলৈ ধৰাত গ্ৰাম্য সংস্কৃতিত তাৰ প্ৰভাৱ বাৰুকৈয়ে পৰিল। গাঁও-চহৰৰ সংমিশ্ৰণত গ্ৰাম্য জীৱনধাৰাত বীজতৰীয়া সংস্কৃতিৰহে সৃষ্টি হ’ল।

তেওঁৰ কিছুমান গল্পত মূল্যবোধৰ অৱক্ষয় তথা ন-পুৰণিৰ সংঘাত সুন্দৰভাৱে প্ৰতিফলিত হৈছে। স্নেহ দেৱীৰ *‘অন্তৰালত’* গল্পটোত প্ৰজন্মৰ ব্যৱধান লক্ষ্য কৰিব পাৰি। লালু মহৰীয়ে যুতিক প্ৰেমৰ জালত আৱদ্ধ কৰিব বিচৰাত চতুৰ যুতিয়ে তাৰ অভিপ্ৰায় বুজি তাৰ জালত ভৰি নিদিলে। কিন্তু সহজ-সৰল আইতাকে লালু মহৰীৰ ছলাহী কথাত ভোল গৈ তাকেই ভাল মানুহ বুলি ভাবি যুতিক তাৰ লগত বিয়া দিয়াৰ কথা ভাবিছিল। কিন্তু বৰাৰ জীয়েকৰ লগত বিয়া হৈ লালুৰ সংসাৰখনত যেতিয়া অশান্তিৰে পূৰ্ণ হোৱা দেখিলে তেতিয়া আইতাকে মন্তব্য কৰিছিল—

> “তেতিয়া বুঢ়ীয়ে সিটো কোঠাত খুন্দনাৰ টুকুৰ টুকুৰ শব্দৰ লগে লগে গুণীনৰ মাকক কৈছে— ভালেই হ’ল তাৰ লগত সম্বন্ধ নকৰি; হো— কি কৰ বোৱাৰী।”[৭]

গল্পটোত আধুনিক মনোভাৱেৰে পুষ্ট যুতি আৰু পৌৰাণিক ভাবধাৰাৰ আইতাকৰ মনোভাৱৰ নীৰৱ সংঘৰ্ষ প্ৰতিফলিত হৈছে।

*'তেওঁলোকৰ মন'* গল্পটোত দুটা যুগৰ প্ৰতিনিধিৰ মনোভাৱৰ পৰিবৰ্তনবোৰ সুন্দৰকৈ দেখুওৱা হৈছে। বোৱাৰীগৰাকীৰ বিপৰীত চৰিত্ৰ আকৌ শৰ্মানী। নিজৰ ব্যক্তিত্বক জলাঞ্জলি নিদিয়াকৈ যুগৰ সোঁতত উটি নগৈ নিজকে এগৰাকী সফল নাৰীৰূপে চিত্ৰিত কৰিবলৈ সক্ষম হৈছে। শৰ্মানী চৰিত্ৰটো এগৰাকী গ্ৰাম্য সমাজৰ বোৱাৰী বুলি ক'ব পাৰি। গাঁৱৰ বোৱাৰীয়ে যিদৰে নিজৰ সৰ্বস্ব কাটি কৰি অইনৰ সুখৰ কথা চিন্তা কৰে শৰ্মানী চৰিত্ৰটোও তেনে ত্যাগৰ প্ৰতীক।

*'নাম দিম কল্যাণী'*গল্পটোত পৰম্পৰাৰ প্ৰতি বিশ্বাসী আধুনিকতাই স্পৰ্শ নকৰা এজনী ছোৱালী বোৱাৰী হিচাবে আশা কৰা ৰজতৰ জেঠায়েকে বিয়াঘৰত নিতু নামৰ ছোৱালী এজনীক ৰজতৰ বাবে পচন্দ কৰে। একমাত্ৰ নিতুৰ বাহিৰে বাকীবিলাকে প্ৰায়েই আধুনিক ভাবধাৰাৰ। সেয়ে ৰজতৰ বাবে জেঠায়েকে নিতুকেই পছন্দ কৰিছে। কাৰণ আধুনিক ভাবধাৰাৰ ছোৱালীৰ সৈতে কোনোপধ্যে মনৰ মিল নহয় সেইবাবে বাকীবোৰক তেওঁ পছন্দ নকৰি একমাত্ৰ নিতুৰ ভাবধাৰাৰ লগত মিল খোৱা বাবেই নিতুক পছন্দ কৰিছে আৰু নামো দিছে 'কল্যাণী' বুলি।

*'স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প'*সংকলনৰ *'সময়ৰ শিকনি'* গল্পটোত প্ৰজন্মৰ ব্যৱধানে মানুহৰ মনলৈ কেনেদৰে নিসংগতাবোধ আনি দিয়ে আৰু সেই নিঃসংগতাৰ বাবে মানুহে কেনেকৈ খেৰকুটা এডালকো সাবটি ধৰে সেই দৃশ্য বৰ্ণিত হৈছে। গল্পটোত প্ৰতুল চন্দ্ৰ নামৰ পত্নীহাৰা বৃদ্ধজনে পুত্ৰ-বোৱাৰীৰ ব্যস্ততাক তেওঁৰ প্ৰতি অৱহেলা বুলি ভাবিছিল। এনে ভাৱনাই তেওঁলোকৰ মাজত মানসিক ব্যৱধান বাঢ়ি গৈছিল। নিঃসংগতাৰ পৰা হাত সাৰিবলৈ তেওঁ তোলনীয়া পুত্ৰস্বৰূপ ৰঘুলৈ নিয়মিতভাবে চিঠি লিখিবলৈ লয় আৰু সেই চিঠিৰ উত্তৰবোৰেই তেওঁৰ নিঃসংগ জীৱনৰ লগৰীয়া হৈ পৰে। শেষত ৰঘুলৈ চিঠিৰে জনালে যে তেওঁ এমাহমান থকাকৈ ৰঘুৰ তালৈ যাব বিচাৰে। পুত্ৰ-বোৱাৰীকো তেওঁৰ ইচ্ছাৰ কথা জনোৱাত তেওঁলোকেও যি ভাল দেখে তাকে কৰিবলৈ সন্মতি দিলে। কিন্তু ৰঘুৰ পৰা কোনো উত্তৰ নাহিল। পুত্ৰ-বোৱাৰীয়ে এই বিষয়ে সোধাত তেওঁ মিছা মাতিলে আৰু ক'লে যে, ৰঘুক এই বিষয়ে কোনো চিঠি দিয়া নাই আৰু বুঢ়াৰ এইখন ঘৰ এৰি যাবলৈও ইচ্ছা নাই বুলি ক'লে। বুঢ়াৰ কথা শুনি বোৱাৰীয়েকে আনন্দতে ক'লে— "ভাল কৰিলে দেউতা, সঁচাকৈ বৰ ভাল কৰিলে।" বোৱাৰীয়েকৰ অন্তৰৰ এনে মৰমসনা বাক্যশাৰীয়ে তেওঁলোকৰ মানসিক ব্যৱধান আঁতৰ কৰিলে। গল্পটোত প্ৰজন্মৰ ব্যৱধান বা ন-পুৰণিৰ ভাৱধাৰাৰ সংঘাত সুন্দৰভাবে চিত্ৰিত হৈছে।

*'সহযোগ'* গল্পটোতো ন-পুৰণিৰ সংঘাত লক্ষ্য কৰিব পাৰি। মাহিন্দ্ৰীয়ে নাতিয়েকৰ বেমাৰত গ্ৰাম্য পদ্ধতিৰ চিকিৎসা কৰিছে যদিও শোভনে আধুনিক চিকিৎসাৰ দৰব পুতেকক মনে মনে খুৱাইছে। গ্ৰাম্য চিকিৎসা বিফল হৈছে কিন্তু আধুনিক দৰবে শিশুটোৰ বেমাৰ ভাল কৰিছে। গল্পটোত ন-পুৰণিৰ নীৰৱ সংঘাতৰ লগতে আধুনিকতাৰ পৰা গ্ৰহণ কৰিবলগীয়া বিষয়ৰ বাস্তৱমুখী ৰূপৰো চিত্ৰণ কৰা হৈছে।

ন-পুৰণিৰ সংঘাত প্ৰকৃততে প্ৰজন্মৰ ব্যৱধানৰ বাবে হোৱা এক চিৰন্তন সংঘাত। এনে নীৰৱ সংঘাতে পৰিয়ালবোৰক অস্থিৰ কৰি তোলে। পৰিয়ালবোৰৰ এই চিৰন্তন সমস্যাবোৰক লৈয়েই স্নেহ দেৱীয়ে উক্ত গল্পসমূহ ৰচনা কৰিছে।

স্নেহ দেৱীৰ গল্পত প্ৰতিফলিত হোৱা আন এক জ্বলন্ত সমস্যা হৈছে আধুনিক, নগৰকেন্দ্ৰিক সভ্যতাই সৃষ্টি কৰা জটিলতা। এওঁৰ কেইটামান গল্পত এনে ভাবধাৰাৰ প্ৰতিফলন ঘটিছে।

স্নেহ দেৱীৰ *'অপ্ৰত্যাশিত'* গল্পত ললিত, ৰুবী আদি চৰিত্ৰত আধুনিক, নগৰকেন্দ্ৰিক জীৱনধাৰাৰ বতাহত লীন হৈ যোৱা মানুহৰ দৃশ্যপট প্ৰকাশি উঠিছে। ললিতৰ পত্নী তথা ৰুবীৰ মাক ৰজনী নামৰ মহিলাগৰাকী মানসিক ৰোগী হোৱা বাবে গাঁৱৰ পৰা সত্য নামৰ মহিলাগৰাকীক ৰখীয়া হিচাপে কিছুদিনৰ বাবে আনে। ৰজনীৰ সম্পূৰ্ণ দায়িত্ব সত্যৰ হাতত অৰ্পণ কৰি ললিত, ৰুবীহঁতে নিশ্চিন্তমনে নিজৰ নিজৰ জগতত বিচৰণ কৰে। এজনী মানসিক ৰোগী ৰখি ৰখি সত্য বিৰক্ত হৈ যায়। ললিত ৰুবীৰ কাণ্ড-কাৰখানা দেখিও বিব্ৰত হয়—

> "ৰাতি ৰজনীৰ কোঠাৰ ওচৰৰ সৰু কোঠাটোৰ বিচনাখনত পৰি চকুৰ পানী ওলাই আহিব খোজে সত্যৰ। সঁচাকৈয়ে এই ঘৰখনৰ আটায়ে নিজক লৈ ব্যস্ত, আত্মকেন্দ্ৰিক। সত্যৰ হাতত ৰজনীৰ ভাৰ দি আটায়ে নিজক লৈ ব্যস্ত। স্বাৰ্থপৰ অথচ নিঃস্বাৰ্থভাবে পৰোপকাৰৰ ভাব লৈ মাথোঁ সত্য আহিছে এই ঘৰলৈ।"[১০]

কিন্তু আধুনিকতাৰ চাপ পৰা এই মানৱতাহীন মানুহখিনিয়ে সত্যই কৰা উপকাৰক পাহৰি তেওঁকে দিছে চোৰ অপবাদৰ পুৰস্কাৰ। গল্পটোত নগৰকেন্দ্ৰিক সভ্যতাই আধুনিক জীৱনধাৰাক মানৱতাহীন কৰি তোলা মৰ্মান্তিক দৃশ্য প্ৰতিফলিত হৈছে।

*'কৃষ্ণা দ্বিতীয়াৰ জোনাক'* গল্পত নগৰীয়া আধুনিক জীৱনধাৰাত পৰিচালিত মলয়ে নিজৰ ঘৈণীয়েক থকাৰ পিছতো আন নাৰীৰ প্ৰতি আসক্ত হোৱা কথাটোৱে স্খলিত চৰিত্ৰৰ মানসিকতাকো গল্পকাৰে আঙুলিয়াইছে।

স্নেহ দেৱীৰ *'ভাতৃ'* নামৰ গল্পটোতো নগৰকেন্দ্ৰিক সভ্যতাই সৃষ্টি কৰা জটিলতাৰ প্ৰকাশ ঘটিছে। কৰ্মৰ সন্ধানত চহৰলৈ গৈ সংস্থাপিত হোৱা মিঠুৱে গাঁৱত থকা সহজ-সৰল ককায়েক

মঠৰামক নিজৰ ককায়েক বুলি চিনাকি দিবলৈ লাজ কৰিছে। মিঠুৱে কেইদিনমান চহৰত থাকিয়েই গাঁৱৰ মানুহক বুৰ্বক জ্ঞান কৰা বিষয়টো যেন এক পৰম্পৰাত পৰিণত হৈছে। গল্পটোত আকৌ দেখুওৱা হৈছে যে শেষত মিঠুক এক ডাঙৰ বিপদৰ পৰা সেই গাঁৱলীয়া ককায়েকেই ৰক্ষা কৰিছে। মুঠতে গল্পটোত নগৰীয়া কৃত্ৰিমতাই গ্ৰাম্য জীৱনধাৰাক কৰা তাচ্ছিল্যই এক অশনি সংকেত দিছে।

স্নেহ দেৱীৰ সমসাময়িক সমাজখন আছিল ৰক্ষণশীল, অন্ধবিশ্বাস আৰু কুসংস্কাৰেৰে পৰিপূৰ্ণ এখন সমাজ। তেখেতৰ গল্পবোৰেৰে সমাজৰ এনে ৰক্ষণশীলতা, অন্ধবিশ্বাস, কুসংস্কাৰৰ প্ৰতি ভ্ৰূকুটি প্ৰদৰ্শন কৰা হৈছে। প্ৰগতিবাদী ধ্যান-ধাৰণা এওঁৰ গল্পৰ এক শক্তিশালী দিশ।

*'বন্ধু তুমি মোৰ তুমি শত্ৰু'* গল্পটোত অসমীয়া গ্ৰাম্য সমাজখনৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ ধ্বনিত হৈছে। আমাৰ গ্ৰাম্য সমাজত বিধৱাক কিছু বেলেগ দৃষ্টিৰে চোৱা হয়। গল্পকাৰে গল্পটোত বিধৱাসকলৰ মানসিক জগতৰ পৰিস্ফুৰন ঘটাই ৰক্ষণশীলতাৰ বান্ধ ছিঙিব বিচৰা হৈছে। গল্পটোত অকাল বৈধব্যক আকোঁৱালি লোৱা সদ্যবিবাহিতা প্ৰীতিয়ে প্ৰকৃতিৰ উদাৰ কোলাত আশ্ৰয় ল'ব বিচাৰিছে। কিন্তু সুৰজিতে নাৰী পৰম্পৰাৰ ডেওনা পাৰ হৈ প্ৰীতিক পুনৰ গ্ৰহণ কৰিব বিচাৰিছে। সমাজৰ দৃষ্টিত অবৈধ প্ৰণয়ৰ বান্ধ ছিঙি ৰক্ষণশীল সমাজখনৰ বিৰুদ্ধে প্ৰীতিয়ে প্ৰতিবাদ কৰিবলৈ চেষ্টা কৰিছে।

তদানীন্তন সমাজখনত আধুনিকতাৰ প্ৰৱেশ ঘটিছে যদিও পুৰণিকলীয়া অন্ধবিশ্বাস, কু-সংস্কাৰ আদি পূৰ্ণ ৰূপে আতৰ হোৱা নাছিল। সেইবোৰৰ বশৱৰ্তী হৈ মানুহে বিভিন্নজনক বিপদত পেলোৱাও দেখা যায়।

স্নেহ দেৱীৰ *'সমানে সমানে'* গল্পত 'হাঁহিনী খেতৰ'ৰ উল্লেখেৰে ভূত-প্ৰেত আদিৰ অন্ধবিশ্বাসৰ কথা দেখুওৱা হৈছে। *'ভৰণি'* গল্পত চৌকাৰ মাটিৰে বশীকৰণ কৰা অন্ধবিশ্বাস দেখুওৱা হৈছে। *'সহযোগ'* গল্পটোত নাতিয়েকৰ বেমাৰ ভাল কৰিবলৈ বিভিন্ন কু-সংস্কাৰৰ বশৱৰ্তী হোৱা কাহিনী বৰ্ণিত হৈছে। অৱশ্যে গল্পটোত শেষত আধুনিক চিকিৎসা বিজ্ঞানৰ জয় দেখুওৱা হৈছে।

মুঠতে স্নেহ দেৱীৰ গল্পবোৰক সমসাময়িক সমাজখনৰ বিভিন্ন সমস্যাৰ প্ৰতিফলন ঘটিছে। এই বাস্তৱসন্মত সমস্যাসমূহ গল্পকাৰে গল্পবোৰত নিখুঁতভাবে অংকন কৰিছে। কিছুমান গল্পত সমস্যাসমূহৰ সমাধান বা কিছুমানত প্ৰতিবাদৰ ধ্বনি স্পষ্ট ৰূপত দেখা যায়। দৰিদ্ৰ মানুহখিনিৰ সমস্যাও অধিক। ইয়াৰোপৰি ৰক্ষনশীল সমাজখনৰ নিয়ম-নীতিবোৰ কোনোবাই হেলাৰঙে মানি লয়, কোনোৱে মানিব নোখোজে। যুগৰ পৰিবৰ্তনৰ ফলত প্ৰজন্মৰ সংঘাত, নগৰীয়া জীৱনৰ আকৰ্ষনে নিশেষ কৰা মানৱতা, পুৰণি অবৈজ্ঞানিক লোকবিশ্বাস আদি বিষয়বোৰক চিত্ৰায়িত কৰি সেই সময়ৰ সামাজিক সমস্যাসমূহৰ প্ৰতিফলন ঘটোৱা দেখা যায়।

**৫.০২ সাম্প্রতিক প্রেক্ষাপটত স্নেহ দেৱীৰ গল্পৰ গুৰুত্ব**

বিংশ শতিকাৰ পঞ্চাশ-ষাঠিৰ দশকত সাহিত্য জগতত প্ৰৱেশ কৰি মহিলা গল্পকাৰ হিচাপে পৰিচিত হোৱা স্নেহ দেৱী এগৰাকী ৰামধেনু যুগৰ সফল গল্পকাৰ। তেখেতৰ গল্পৰ বিষয়বস্তু সমসাময়িক সমাজখনৰ সত্য ঘটনাবোৰক আলম কৰিয়েই গঢ়ি উঠিছে। সেইবাবে সেই সময়ৰ সমাজখন গল্পবোৰত স্পষ্টকৈ জীপাল হৈ উঠিছে। সেই সময়ৰ সমাজ ব্যৱস্থা, মানুহৰ সুখ-দুখ, আশা-নিৰাশা, হাঁহি-কান্দোন সকলো দিশেই এওঁৰ গল্পত প্ৰতিফলিত হোৱা দেখা যায়। স্নেহদেৱীয়ে তাহানিতে লিখি থৈ যোৱা গল্পসমূহৰ আজিৰ এই পৰিবৰ্তনশীল যুগত গুৰুত্ব আছে নে নাই সেইবোৰ অধ্যয়ন কৰিবলৈ এই উপ-অধ্যায়টো সংযোজন কৰা হ'ল।

সমাজ পৰিৱৰ্তনশীল। আজি একবিংশ শতিকাত তাহানিৰ বিংশ শতিকাৰ সমাজ ব্যৱস্থাৰ বহু অমিল দেখা যায়। কিন্তু তথাপিও ভৱিষ্যতৰ আগজাননী স্নেহ দেৱীৰ ভালেমান গল্পত থকা দেখা যায়। স্নেহ দেৱীৰ গল্পত সামাজিক, ৰাজনৈতিক বা অৰ্থনৈতিক সচেতনতা গভীৰভাবে উপলব্ধি নহয়। ইয়াৰ মূল কাৰণ হয়তো সমসাময়িক সমাজখনত নাৰীয়ে ৰাজহুৱা জীৱনত সক্ৰিয়ভাবে অংশগ্ৰহণ কৰিব নোৱাৰাটো। যাৰ বাবে তেওঁলোকৰ গল্পত সমাজ জীৱনৰ চিত্ৰ মূৰ্তভাবে প্ৰকাশ কৰিব পৰা নাই। তদানীন্তন সমাজখনত নাৰীয়ে প্ৰায় ঘৰৰ চাৰিবেৰৰ মাজতেই আৱদ্ধ আছিল। পুৰুষতান্ত্ৰিক সমাজ জীৱনত পুৰুষসকলেই ৰাজহুৱা কামত আগভাগ লৈছিল। নাৰীসকলে কেৱল ঘৰুৱা ভাবেহে দিহা-পৰামৰ্শ দিব পাৰিছিল। এনে চিত্ৰই স্নেহ দেৱীৰ গল্পবোৰ ভৰি আছে। তেওঁৰ কিছুমান গল্পৰ কাহিনীৰ অৰ্থ যেন সাম্প্ৰতিক প্ৰেক্ষাপটত একেবাৰে গুৰুত্বহীন।

স্নেহ দেৱীৰ *'বৰমা'* গল্পটোৰ মৃণালিনী (বৰমা) চৰিত্ৰটোৰ কাৰ্যাৱলী আজিৰ সময়ত যেন অৰ্থহীন। কাৰণ, তাহানিৰ দৰে আজিৰ নাৰী দুৰ্বল নহয়। মৃণালিনীয়ে নিজৰ গিৰীয়েক আৰু হৰিমতীৰ মাজৰ অবৈধ সম্পৰ্ক প্ৰত্যক্ষ কৰিও মুক্তভাৱে কোনো প্ৰতিবাদ কৰিব পৰা নাই, একমাত্ৰ ঘৰখনৰ সুখ-শান্তিৰ বাবে। কিন্তু প্ৰতিবাদ নকৰিলেও যিমানে দিন গৈছে সিমানে তেওঁক অস্থিৰ কৰি তুলিছে। বিশেষকৈ বৃদ্ধ বয়সত এইবোৰে তেওঁক খুলি খুলি খাইছে। হৰিমতীকে দোষাৰোপ কৰিছে। মৃণালিনীয়ে স্বচক্ষে গিৰিয়েকৰ অবৈধ সম্পৰ্ক ধৰা পেলোৱাৰ বৰ্ণনা গল্পটোত আছে এনেদৰে —

> "হঠাৎ চকু পৰিল তেওঁৰ স্বামীৰ বিছনাখনৰ ওচৰত থিয় হৈ আছে হৰিমতী। তেওঁ বোধকৰো চাপৰি বিছনাৰ তলখন সাৰিব খুজিছে। কিন্তু সেয়া কি? - সিফালে মুৰকৈ শুই থকা স্বামীৰ মুখ মৃনাই দেখা নাই, - কিন্তু হাত ? তেওঁ স্পষ্ট দেখা পালে। বগা হাতখনে কলা ডিঙি এটাত মেৰাই ধৰিছে আৰু দুয়োখন মুখ ওচৰ চাপি আহিছে, সৰু শব্দ এটা হয়তো সেই মুহূৰ্ততে বতাহৰ লগত মিলি গ'ল। কোনে জানে।"[১১]

এইবোৰ কথা ভাবি ভাবি উৰাদিহ নোপোৱা বৰমা ক্ৰমান্বয়ে হৈ পৰিল এগৰাকী মানসিক ৰোগী। প্ৰকাশ্যে প্ৰতিবাদ কৰিব নোৱাৰি মনে মনে প্ৰতিবাদ কৰি গ'ল। কিন্তু বৰমাৰ এই নীৰৱ প্ৰতিবাদৰ ভাষা কোনেও বুজি নাপালে।

বৰমাৰ দৰে নাৰী আজিৰ সমাজত বিৰল। আজিৰ নাৰীয়ে অন্ততঃ গিৰীয়েকৰ এনে কাৰ্যবোৰ দেখি নীৰৱ হৈ বহি নাথাকে। ইয়াৰ তীব্ৰ প্ৰতিবাদ নিশ্চয় কৰিলেহেঁতেন। বৰমাৰ সময়ৰ সমাজখন আছিল পুৰুষৰ ওপৰত নিৰ্ভৰশীল সমাজ। পুৰুষতান্ত্ৰিক সমাজৰ প্ৰতি থকা ভীতিৰ বাবে নাৰীয়ে সকলো সহ্য কৰিবলৈ বাধ্য হৈছিল। কিন্তু আজিৰ নাৰী প্ৰায়েই স্বাৱলম্বী। প্ৰতিটো কথাতে পুৰুষৰ ওপৰত নিৰ্ভৰ কৰি নচলিলেও হয়। সেয়ে আজিৰ নাৰীয়ে বৰমাৰ দৰে নিশ্চুপ হৈ বহি নাথাকি অন্ততঃ এই অন্যায়ৰ প্ৰতিবাদ কৰিলেহেঁতেন। স্নেহ দেৱীৰ গল্পৰ এনে কাহিনীবোৰত নাৰীৰ ভয়ৰ প্ৰতিচ্ছবি থাকিলেও বৰ্তমানৰ প্ৰেক্ষাপটত সৰল প্ৰতিবাদেৰে পৰিপুষ্ট নাৰীৰ বাবে গ্ৰহনযোগ্য নহয়।

*'সন্ধিয়াৰ কুৰলীত'* গল্পটোত ভদ্ৰাক এৰি গিৰীয়েকে আন এজনীক বিয়া কৰালে। পিছত অনুতপ্ত হৈ ভদ্ৰাক গিৰীয়েকে লৈ যাব বিচাৰিলে। কিন্তু ভদ্ৰাই নতুন সংসাৰখনত অশান্তি হ'ব বুলি ঘূৰি নগৈ মানৱসেৱাৰ কামত লাগিল। গল্পকাৰে অতি সহজতে কাহিনী বিন্যাস কৰিছে যদিও সংসাৰৰ এইবোৰ কথা ইমান সহজ নহয়। আজিৰ প্ৰেক্ষাপটত ভদ্ৰাৰ দৰে নাৰী এজনীও বিচাৰি পোৱা নাযাব। কাৰণ সংসাৰৰ এই জটিল সমস্যাবোৰ ইমান সহজতে সমাধান কৰিব নোৱাৰি।

*'অন্তৰালত'* গল্পটোৰ সত্যৰ ওপৰত চোৰ অপবাদ জাপি দিয়াৰ পিছতো তাই নীৰৱে সকলো ঈশ্বৰৰ ওচৰত সঁপি দিছে। তাৰ বাহিৰে তাই কোনো প্ৰতিবাদৰ ভাষা বিচাৰি পোৱা নাই। স্নেহ দেৱীৰ গল্পৰ এনেবোৰ কাহিনীৰ গুৰুত্ব আজিৰ প্ৰেক্ষাপটত নাই বুলিয়ে ক'ব পাৰি, দুই এঠাইত এনেকুৱা ঘটনা পৰিলক্ষিত হয় যদিও সেইখিনিয়ে সমাজ এখনক প্ৰতিনিধিত্ব নকৰে অৱশ্যে এনে কাহিনীয়ে পাঠকৰ মনস্তত্বক প্ৰভাৱিত কৰি অধিক সচেতনতা বৃদ্ধি কৰাত সহায় কৰে। একবিংশ শতিকাৰ নাৰী ইমান দুৰ্বল নহয় যে সকলো কথা নীৰৱে মানি ল'ব আৰু সকলো দোষ নিজৰ গাত জাপি ল'ব।

সাম্প্ৰতিক প্ৰেক্ষাপটত গুৰুত্ব থকা গল্পও স্নেহ দেৱীয়ে ৰচনা কৰিছে। স্নেহ দেৱীয়ে সমসাময়িক জীৱন ধাৰাৰ ওপৰত গল্প ৰচনা কৰিলেও আজিও সেই কাহিনীবোৰৰ গুৰুত্ব আছে।

লেখিকাৰ *'নাম দিম কল্যাণী'* গল্পটোত এখন বিয়াঘৰত জেঠায়েকে ছোৱালী জাকৰ মাজত কইনাৰ সন্ধান কৰিছে। সিহঁতৰ আলোচনাৰ পৰা দেখা গ'ল যে নিতু নামৰ ছোৱালীজনীয়েই এগৰাকী আদৰ্শৱান, ভাৰতীয় তথা অসমীয়া পৰম্পৰাৰ দ্বাৰা পৰিচালিত এগৰাকী ছোৱালী। নিতু এগৰাকী শিক্ষিতা, দায়িত্বশীলা, বুদ্ধিমতী আৰু সৎ চৰিত্ৰৱান। জেঠায়েকে এইগৰাকী ছোৱালীয়েই ৰজতৰ

বাবে উপযুক্ত হ'ব বুলি ঠিক কৰি তাইৰ নাম কল্যাণী ৰাখিছে। গল্পটোত তথাকথিত আধুনিকতাৰ বিপৰীতে সুশৃংখল ভাৰতীয় আদৰ্শ আৰু সংস্কৃতিৰ প্ৰতি আগ্ৰহ আৰু সন্মান সৃষ্টি কৰি গল্পকাৰে চৰিত্ৰৰ মাজেৰে এক আদৰ্শ প্ৰতিষ্ঠাৰ চেষ্টা কৰিছে। সাম্প্ৰতিক প্ৰেক্ষাপটত এই আদৰ্শ আৰু সংস্কৃতি খুবেই প্ৰয়োজন হৈ পৰিছে।

গল্পটোৰ গুৰুত্ব এইবাবেই আছে যে আজিৰ যুগতো কাৰোবাৰ বাবে কইনা চালে এনে গুণবোৰকে প্ৰাধান্য দিয়া হয়। গল্পটোত আৰু বিভিন্ন দিশ উন্মোচিত হৈছে। কিছুমানে ছোৱালী বিয়া দিয়াৰ নামত ঠগ-প্ৰবঞ্চনা কৰি সম্পৰ্ক কৰিব বিচাৰে। কাৰণ ছোৱালীক বিয়া দি উলিয়াই দিব পাৰিলেই যেন ৰক্ষা পৰে। সেয়ে ছোৱালীৰ গাত নথকা গুণবোৰো মিছাকৈ কয়। এই বিষয়ে *'অসমীয়া চুটিগল্প বিৱৰ্তন আৰু বিশ্লেষণ'*ত উল্লেখ আছে যে—

> "ছোৱালী এজনীক অভিভাৱকে উপযুক্ত শিক্ষা-দীক্ষা দি স্বাৱলম্বী হোৱাৰ দিশত গুৰুত্ব প্ৰদান নকৰি, কেৱল বিয়া দিয়াটোৱেই তেওঁলোকৰ একমাত্ৰ দায়িত্ব আৰু কৰ্তব্য বুলি জ্ঞান কৰে। ফলস্বৰূপে এজনী ছোৱালীৰ প্ৰতিভাই বিকাশ লাভ কৰিবলৈ এক সুস্থ পৰিবেশ নাপায়। এনেধৰণৰ সমাজ ব্যৱস্থাই আমাৰ সমাজৰ অনগ্ৰসৰতা আৰু ৰক্ষণশীলতাৰে পৰিচয় দাঙি ধৰিছে। লেখিকাই সমাজৰ এই কেৰোণবোৰো গল্পটোৰ জৰিয়তে পোহৰলৈ আনিছে।"[১২]

স্নেহ দেৱীৰ গল্পত আধুনিক ধ্যান-ধাৰণাৰ শক্তিশালী দিশটোও প্ৰতিফলিত হোৱা দেখা যায়। *'এটি বিশেষ ৰাতি'* গল্পত যুতি, লতি আৰু ডাঃ আশালতা এই তিনিটা নাৰী চৰিত্ৰক কেন্দ্ৰ কৰিয়েই গল্পটোৰ কাহিনী গঠন হৈছে। উক্ত চৰিত্ৰ তিনিটাৰ যোগেদি গল্পকাৰে আধুনিক ধ্যান-ধাৰণাক আগুৱাই নিছে। যুতি আৰু লতি দুই ভগ্নী। লতি অকালতে বৈধব্যক আকোঁৱালি লোৱাৰ সময়তে ডাঃ আশালতাই বিধৱা বিবাহ আন্দোলনত নামি পৰিছিল। কম বয়সতে বহু নাৰীয়ে বিধৱা হ'লেও দ্বিতীয় বাৰৰ কাৰণে বিয়া হ'ব নোৱাৰিছিল। সমাজৰ এনে প্ৰাচীন কু-সংস্কাৰৰ বাবে এচাম লোকক হাতত লৈ আন্দোলনত নামি পৰিছিল। বৈধব্য যন্ত্ৰণাই এনে কম বয়সীয়া নাৰীৰ জীৱন বিষময় কৰি তোলাত ডাঃ আশালতা হতাশাগ্ৰস্ত হৈ পৰিছিল। সেইকাৰণে তেওঁলোকৰ জীৱন পুনৰ আলোকিত কৰাৰ স্বাৰ্থত আগভাগ লৈছিল। লতিৰ পুনৰ বিৱাহৰ মাজেৰে গল্পটোত তেওঁৰ বহল চিন্তাধাৰাৰ উন্মেষ ঘটিছে।

নাৰীৰ সৰল স্থিতি উন্মোচিত হৈছে স্নেহ দেৱীৰ *'ৰমলাৰ কথা'* নামৰ গল্পটোত। গল্পটোত ব্যক্তি স্বতন্ত্ৰতা ৰক্ষাৰ স্বাৰ্থত বিবাহ আৰু বৈৱাহিক জীৱনৰ প্ৰয়োজনীয়তাকো অগ্ৰাহ্য কৰিছে। ৰমলাই দেখিছে তাইৰ পিতৃ-মাতৃয়ে মানুহৰ আগত সুখী দম্পতীৰ অভিনয়হে কৰি গৈ আছে; যি

ক্ষেত্ৰত মাকৰ অহমিকা স্বভাৱৰ ওচৰত নতি স্বীকাৰ কৰি দেউতাকে সদায়েই আপোচ কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। ৰমলাই বায়েক ভিনীহিয়েকৰ ক্ষেত্ৰতো একেই প্ৰহসন দেখি আহিছে। বৈৱাহিক জীৱনৰ অসুস্থ বাতাৱৰণে ৰমলাক সোঁতৰ বিপৰীতে ভাবিবলৈ বাধ্য কৰিছে। তাই সিদ্ধান্ত লৈছে যে তাই চিৰজীৱন অবিৱাহিত হৈ থাকিব।

> "আজি আৰু তাহানিৰ দৰে তিৰোতাক সৰুতে পিতৃয়ে, যৌৱনত স্বামীয়ে আৰু বৃদ্ধ কালত পুত্ৰই ভৰণ-পোষণ দি ৰক্ষা কৰা কথাযাৰৰো পৰিবৰ্তন হ'বলৈ ধৰিছে।"[১৩]

*'এটি মৃত্যুত'* গল্পটোত যুদ্ধৰ সময়ৰ পৰিৱৰ্তিত সমাজখনৰ চিত্ৰ দাঙি ধৰা হৈছে। এক শ্ৰেণীৰ মানুহে যুদ্ধকালীন অভাৱৰ সময়তো নৈতিকতাৰ পৰা পিছলি যোৱা নাছিল। আন এচামে আকৌ এমুঠি টকাৰ লোভত সামৰিক পোছাক পৰিধান কৰা এচামৰ হাতত তুলি দিছিল নিজৰ পত্নী, ভগ্নী আদিৰ দেহ। গল্পটোৰ মূল চৰিত্ৰ ললিতাই ধন লোভী গিৰীয়েকৰ নৈতিকতাহীন স্বভাৱৰ কথা গম পাই ৰমাকান্তৰ লগত পলাই যায়। প্ৰথম স্বামী ত্যাগ কৰি দ্বিতীয় স্বামীক বৰণ কৰা ললিতা সংখ্যাগৰিষ্ঠ মানুহৰ চকুত কলংকিতা। নিজৰ সন্তান নথকা ললিতাই আনৰ সন্তানক আনি ডাঙৰ-দীঘল কৰে আৰু সেইবাবে বশীকৰণ মন্ত্ৰ জানে বুলি মানুহে ললিতাক 'ডাইনী' আখ্যা দিয়ে। ললিতাৰ সহজ, আকস্মিক মৃত্যুৰ মাজতো মানুহবোৰে  ডাইনীৰ শক্তি দেখা পায়। গল্পটো ষাঠিৰ দশকতে লিখা, কিন্তু একবিংশ শতিকাতো ডাইনী হত্যাৰ দৰে ঘটনা ঘটিয়েই আছে। আমাৰ সমাজখনত ডাইনী সম্বন্ধীয় বিষয়বোৰৰ আঁৰত কিছুমান স্বাৰ্থান্বেষী মানুহ জড়িত থাকে। ব্যক্তিগত শত্ৰুতাৰ বাবে এনেধৰণৰ অপযশ দি বিভিন্ন অত্যাচাৰ কৰা বৰ্তমানেও দেখা যায়। সেয়ে বৰ্তমান যুগতো স্নেহ দেৱীৰ এনে গল্পৰ গুৰুত্ব আছে।

নৰ-নাৰীৰ জৈৱিক দুৰ্বলতাৰ প্ৰতিও স্নেহ দেৱী সচেতন। তেওঁৰ *'সূচনা'* নামৰ গল্পটোত নাৰী মনৰ চিৰন্তন ৰহস্যময়ীতাৰ এখনি চিত্ৰ উন্মোচিত হৈছে। পাঁচটা সন্তানৰ মাতৃ সূচনাৰ মনৰ ওপৰত এটা সপোনৰ প্ৰভাৱৰ স্বীকাৰোক্তিয়েই গল্পটোৰ মূল বিষয়বস্তু। সপোনত সূচনাই এজন ব্যক্তিৰ লগত নিবিড় সম্পৰ্কই তাইক উন্মনা কৰি তোলে। সপোনত দেখা সেই পুৰুষজন আছিল তেওঁৰ স্বামীৰ বন্ধু সুব্ৰত। তেওঁৰ সান্নিধ্যৰ অনুভূতিয়ে সপোন ভগাৰ পিছতো বাস্তৱলৈ ঘূৰি অহাৰ পিছতো ক্ৰিয়া কৰিছিল। পিছদিনা যেতিয়া সুব্ৰতৰ পত্নী ৰুমাই সূচনাৰ আগত নিজৰ দাম্পত্য জীৱনৰ প্ৰেমময় মুহূৰ্তবিলাকৰ কথা বৰ্ণনা কৰিছিল সেইবোৰ সূচনাই সহ্য কৰিব পৰা নাছিল। জ্ঞানশূন্য হৈ তেওঁ ৰমাক এটা প্ৰচণ্ড চৰ শোধাইছিল। চৰটো মাৰিহে সূচনা কিছু শান্ত হ'ল। নাৰীমনৰ এনে সত্যতাক গল্পকাৰে *'সূচনা'* গল্পটোত সূচনাৰ জৰিয়তে অংকন কৰিছে।

গল্পটো সম্পৰ্কে ত্ৰৈলোক্য নাথ গোস্বামীয়ে কৈছে যে—

> "*সূচনাত* ল'ৰা-ছোৱালীৰ মাক সূচনাৰ মনৰ ওপৰত পৰা এটা সপোনৰ প্ৰভাৱৰ স্বীকাৰোক্তিৰ মাজত স্বাভাৱিকতাৰ অভাৱ আছে। এটা জৈৱিক সত্য প্ৰকাশৰ অৰ্থে সূচনা, ৰুমা আৰু সুব্ৰতক যেনেভাৱে চিত্ৰিত কৰা হ'ল সেই চিত্ৰ অতি কষ্টেৰেহে স্বাভাৱিক ৰূপত গ্ৰহণ কৰা যায়।"[১৪]

সূচনা চৰিত্ৰটোৰ জৰিয়তে নাৰীমনৰ গভীৰ সত্যৰ প্ৰকাশ ঘটিছে। সপোনত দেখা প্ৰিয়জনৰ গভীৰ সান্নিধ্য বাস্তৱ জীৱনতো পত্নীৰ কৰ্তৃত্বকো সহ্য কৰিব পৰা নাই। গল্পটোত নাৰীৰ চেতন-অৱচেতন মনৰ পৰিচয় পোৱা যায়।

সাম্প্ৰতিক প্ৰেক্ষাপটত পোৱা ধৰণে বিভিন্ন কৰ্মৰ অজুহাতত গাঁৱৰ মানুহ চহৰমুখী হোৱা চিত্ৰ স্নেহ দেৱীৰ গল্পত প্ৰতিফলিত হৈছে। *'মৰম'* গল্পটোত যমুনা আৰু নীৰা কৰ্মৰ সন্ধানত চহৰমুখী হৈছে। *'ভাতৃ'* গল্পটোত মিঠুৱে কৰ্মৰ সন্ধানত চহৰমুখী হৈছে। *'অন্তৰালত'* গল্পত লালু, গুণীন আদি কৰ্মৰ সন্ধানত চহৰমুখী হৈছে। *'অপ্ৰত্যাশিত'* গল্পত চহৰৰ কৃত্ৰিমতাই ললিত, ৰুবী, অনুপমৰ দৰে ব্যক্তিৰ মানৱতা ধ্বংস কৰিছে। স্নেহ দেৱীৰ এনে গল্পবোৰত গাঁৱৰ মানুহক চহৰৰ ঐন্দ্ৰজালিক মায়াই আকৰ্ষিত কৰি চহৰমুখী কৰাত চহৰৰ জীৱনধাৰাক গ্ৰহণ কৰি সকলো মানৱতা, আদৰ্শ আদিক জলাঞ্জলি দিছে।

উক্ত গল্পবোৰ সাম্প্ৰতিক প্ৰেক্ষাপটত যথেষ্ট গুৰুত্ব আছে। কাৰণ গল্পবোৰ বহুদিন আগতে ৰচিত যদিও আজিও তেনে ধাৰণাবোৰ চলিয়েই আছে। যুগৰ পৰিবৰ্তনে মানুহৰ কিছুমান পৰম্পৰাগত ভাবধাৰাক সলনি কৰিব পৰা নাই। তেখেতৰ প্ৰায়ভাগ গল্পতেই সংস্কাৰকামী মনোভাৱ আছে। জীৱনৰ গভীৰতা বিশ্লেষণ গল্পবোৰত দেখা নগ'লেও জীৱনক উপলব্ধি কৰাৰ চেষ্টা স্নেহ দেৱীৰ গল্পত আছে।

যুগৰ পৰিবৰ্তন ঘটিছে যদিও সমস্যাবোৰ প্ৰায় একেই আছে। তাহানিৰ দৰিদ্ৰ মানুহৰ যি সমস্যা আজিৰ দৰিদ্ৰ মানুহৰো একেই সমস্যা। ইয়াৰোপৰি নৰ-নাৰীৰ জৈৱিক সমস্যা, সমাজবোৰৰ কু-সংস্কাৰ, অন্ধবিশ্বাস, ডাইনি প্ৰথা আদি পৰম্পৰাগত ভাবে আজিও চলিয়েই আছে। সেইবোৰ অধ্যয়ন কৰি দেখা যায় যে বৰ্তমান যুগতো স্নেহদেৱীৰ গল্পৰ গুৰুত্ব নিশ্চয় আছে।

**৫.০৩ স্নেহ দেৱীৰ গল্প আৰু নিৰ্বাচিত গল্পকাৰৰ গল্পৰ তুলনামূলক আলোচনা**

বিভিন্ন জনৰ প্ৰেৰনাই স্নেহদেৱীক সাহিত্য চৰ্চা কৰিবলৈ উৎসাহিত কৰিছিল। কিছুমান গল্পই তেওঁক অতিকৈ প্ৰভাৱিত কৰাৰ ফলস্বৰূপেই জানিয়েই হওঁক বা নাজানিয়েই হওঁক প্ৰভাৱ পৰা দেখা যায়। অইন গল্পকাৰৰ দৰে তেওঁৰ গল্পটো সমসাময়িক সমাজ জীৱন প্ৰতিফলিত হৈছে। এই

উপ-অধ্যায়টোত বিশেষকৈ অইন গল্পকাৰৰ লগত স্নেহদেৱীৰ গল্পৰ তুলনামূলক আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।

স্নেহ দেৱীৰ গল্পসমূহ অধ্যয়ন কৰিলে বুজা যায় যে অসমীয়া, অনা-অসমীয়া বিভিন্ন গল্প লেখকৰ লগত গল্প ৰচনাৰ ভংগী, কাহিনী আদি বিভিন্ন ক্ষেত্ৰত মিল দেখা যায়। এনে কিছুমান বিশেষ গল্পকাৰৰ লগত স্নেহদেৱীৰ গল্পৰ এক তুলনামূলক আলোচনা কৰিবলৈ চেষ্টা কৰা হ'ল। এনে বিভিন্ন জন গল্পকাৰৰ সৈতে স্নেহদেৱীৰ গল্পৰ কিছু কিছু ভাৱধাৰা, কাহিনীৰ সাদৃশ্যতা পৰিলক্ষিত হোৱা অনুভৱ হয়।

**৫.০৩ (ক) আশাপূৰ্ণাদেৱীৰ গল্প আৰু স্নেহদেৱীৰ গল্প**

বিশেষকৈ কিছুমান সমালোচকে পশ্চিমবংগৰ জ্ঞানপীঠ বিজয়ী লেখিকা আশাপূৰ্ণা দেৱীৰ লগত স্নেহ দেৱীৰ যথেষ্ট মিল লক্ষ্য কৰিছে। সদৌ অসম লেখিকা সমাৰোহৰ সভানেত্ৰী শীলা বৰঠাকুৰে *'স্নেহ দেৱীৰ ৰচনা সম্ভাৰ'*ৰ পাতনিত লিখিছে যে—

> "কেইবাগৰাকী লেখক-সমালোচকে স্নেহ দেৱী আৰু পশ্চিমবংগৰ জ্ঞানপীঠ বঁটা বিজয়িনী লেখিকা আশাপূৰ্ণা দেৱীৰ মাজত সামঞ্জস্য দেখা যায় বুলি ক'ব খোজে। এইসকলৰ মতে আশাপূৰ্ণা দেৱীৰ গল্পৰ লগত স্নেহ দেৱীৰ গল্পৰ যথেষ্ট মিল আছে। দুয়োগৰাকী লেখিকা আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত। নাৰীৰ প্ৰতি দুয়োগৰাকী সহানুভূতিশীল। দুয়োগৰাকীয়ে নাৰী চৰিত্ৰবোৰক প্ৰাধান্য দি সূক্ষ্ম-গভীৰ দৃষ্টিৰে আৰু সংবেদনশীল মনেৰে ৰূপায়ণ কৰিছে। তদুপৰি আশাপূৰ্ণা দেৱীয়ে কম-বেছি পৰিমাণে তেওঁৰ পৰিয়াল বা সদায় দেখি-শুনি থকা সমাজখনৰ পৰাই সাহিত্যৰ সমল যোগাৰ কৰিছিল। স্নেহ দেৱীৰ লেখনিতো সেই একে অভিজ্ঞতাৰ বিশ্লেষণকে দেখা যায়।[১৫]

সমালোচক উপেন্দ্ৰ নাথ শৰ্মাই কৈছে যে—

> "আশাপূৰ্ণা দেৱীৰ গল্পৰ লগত বহুত সময়ত স্নেহ দেৱীৰ গল্পৰ সুৰ মিলে।"[১৬]

আশাপূৰ্ণা দেৱীয়ে যেনেকৈ নিজৰ পুত্ৰ-বোৱাৰী, নাতি-নাতিনীহঁতৰ চাল-চলন, ধৰণ-কৰণ, সদায় দেখি থকা সমাজখনৰ মানুহবোৰৰ জীৱন কাহিনীসমূহৰ পৰা লাভ কৰা বিভিন্ন অভিজ্ঞতাৰ বাস্তৱ চিত্ৰ দাঙি ধৰিছিল, ঠিক তেনেকৈ স্নেহ দেৱীয়েও নিজৰ চিকিৎসক স্বামীৰ কাষলৈ অহা ৰোগীসকলৰ লগত বিভিন্ন কথা-বতৰাৰ দ্বাৰা গম পোৱা তেওঁলোকৰ জীৱন কাহিনীবোৰেই অতি সহানুভূতিশীল দৃষ্টিৰে গল্পবোৰত চিত্ৰিত কৰিছে। বাস্তৱ পৃথিৱীখনৰ বাস্তৱ ঘটনাক গল্পৰ জৰিয়তে প্ৰকাশ কৰাৰ দক্ষতা আশাপূৰ্ণা দেৱীৰ যিদৰে আছিল স্নেহ দেৱীৰো ঠিক সেইধৰনেৰেই আছিল। সেইবাবেই দুয়োগৰাকী লেখিকাৰ তুলনা কৰিব পাৰি।

**৫.০৩ (খ) ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্প আৰু স্নেহ দেৱীৰ গল্প**

বাংলা সাহিত্যত *'ভিখাৰিনী'* গল্পৰ জৰিয়তে চুটিগল্পৰ আৱিৰ্ভাব ঘটোৱা ৰবীন্দ্ৰনাথ ঠাকুৰৰ কালজয়ী গল্পবোৰৰ প্ৰভাৱ অসমীয়া সাহিত্যত নপৰাকৈ থকা নাই। বিশেষকৈ লক্ষ্মীনাথ বেজবৰুৱাই ভালেকেইটা গল্প ৰবীন্দ্ৰনাথৰ কাহিনীৰ আধাৰত গঢ় দিছে।

> "বেজবৰুৱাৰ *মালতী* গল্পৰ বিষয়বস্তু অসম বুৰঞ্জীৰ ছাঁৰ পৰা গ্ৰহণ কৰিছে যদিও গল্পটোৰ ভাৱবস্তু ৰবীন্দ্ৰনাথৰ *নিশীথে* গল্পৰ সমধৰ্মী। সেইদৰে বেজবৰুৱাৰ *লাওখোলা* গল্প ৰবীন্দ্ৰনাথৰ *কংকাল* গল্পৰ সৈতে মিলে।"[১৭]

ৰবীন্দ্ৰনাথৰ *'চুটি'* গল্পৰ কাহিনীভাগৰ লগত বেজবৰুৱাৰ *'মুক্তি'* গল্পৰ কাহিনীৰ পুৰামাত্ৰা মিল থকা দেখা যায়।

স্নেহ দেৱীয়েও ৰবীন্দ্ৰনাথৰ গল্প অধ্যয়ন কৰিছিল। সেয়ে দুই-এটা গল্পত ছেগাচোৰোকাকৈ ৰবীন্দ্ৰনাথৰ গল্পৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি। ৰবীন্দ্ৰনাথৰ কালজয়ী গল্প *'পোষ্টমাষ্টৰ'ৰ* প্ৰভাৱ স্নেহ দেৱীৰ *'সম্বল '* গল্পটোত কিছু পৰিমাণে পৰা দেখা যায়। *'পোষ্টমাষ্টৰ'* গল্পটোত পোষ্টমাষ্টৰজন চাকৰিৰ তাড়নাত একেবাৰে ভিতৰুৱা অনুন্নত গাঁও উলাপুৰত থাকিবলগীয়া হ'ল। তাতেই এগৰাকী সৰু ছোৱালী ৰতনে তেওঁৰ সকলো আলপৈচান ধৰিলে। কেও কিছু নোহোৱা ঠাইত ৰতনেই তেওঁৰ আপোন যেন হ'ল। গল্পটোত পোষ্টমাষ্টৰ আৰু ৰতনৰ অন্তৰ্মনৰ মানৱীয় সম্পৰ্ক লক্ষ্য কৰা যায়। পোষ্টমাষ্টৰ যেতিয়া চাকৰি ইস্তফা দি ঘৰলৈ যাবলৈ ওলাইছে তেতিয়া ৰতনেও তেওঁৰ লগত যাবলৈ প্ৰবল আকাংক্ষা কৰিছে। কিন্তু সমাজৰ বিভিন্ন কথা চিন্তা কৰি শেষত পোষ্টমাষ্টৰে কেও কিছু নোহোৱা সেই ছোৱালীজনীক নিবলৈ বিচৰা নাই। কিন্তু দুয়োজনৰ অন্তৰৰ মানৱীয় সম্পৰ্কই ৰতনক এৰি গুচি যোৱাৰ পিছতো আকৌ ঘূৰি আহি তাইক লগত লৈ যোৱাৰ প্ৰবল ইচ্ছা জাগিছে যদিও নাওখন ইতিমধ্যে বহুদূৰ গুচি যোৱাৰ বাবে সেয়া সম্ভৱ নহ'ল।

স্নেহ দেৱীৰ *'সম্বল'* গল্পটোতো গাঁৱৰ স্কুলত মাষ্টৰৰ চাকৰি কৰা সেই পণ্ডিতজনৰ কেও কিছু নোহোৱা ৰুকনীৰ লগত অন্তৰৰ মানৱীয় সম্পৰ্ক স্থাপন হৈছে। পণ্ডিতৰ নিজৰ ছোৱালীগৰাকী তেওঁলোকৰ কোলা শূন্য কৰি গুচি যোৱাৰ পিছত সেই আসন ৰুকনীয়েই পূৰ্ণ কৰিছিল। নিজৰ ছোৱালীৰ দৰেই ৰুকনীকো মৰম কৰিছিল। ৰুকনীয়েও অকালতে হেৰাই যোৱা মাক-দেউতাকক যেন বিচাৰি পাইছিল। এনে সময়তে পণ্ডিতৰ অইন ঠাইলৈ বদলি হৈ যাবলগীয়া হ'ল। তেওঁলোকে থিৰাং কৰিলে ৰুকনীকো লগত লৈ যাব। কিন্তু গাঁৱৰ বিভিন্নজনে বিভিন্ন কথা উলিওৱা বাবে পণ্ডিত-পণ্ডিতনীয়ে তাইক লৈ যোৱাৰ আশা ত্যাগ কৰিলে।

গল্প দুটাত এটা কথাই দেখুওৱা হৈছে যে মানৱীয় সম্পৰ্ক সকলোতকৈ উৰ্ধত। মানুহৰ তেজৰ সম্পৰ্কই সৰ্বস্ব নহয়; অন্তৰৰ সম্পৰ্কহে মানুহৰ প্ৰকৃত সম্পৰ্ক।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ *'কাবুলীৱালা'* গল্পটোৰ কিছু প্ৰভাৱ স্নেহ দেৱীৰ *'মধুৰ বেদনা'* গল্পটোত পৰা দেখা যায়। *'কাবুলীৱালা'* গল্পটোত প্ৰতিফলিত হোৱা পিতৃ হৃদয়ৰ কৰুণগাথাৰ প্ৰতিধ্বনি স্নেহ দেৱীৰ *'মধুৰ বেদনা'*ৰ কাহিনীভাগতো ধ্বনিত হৈছে। পিতৃ হৃদয় সদায় কন্যা সন্তানৰ প্ৰতি দুৰ্বল। কাবুলীৱালাজনে বহু দূৰৈত এৰি অহা কন্যা সন্তানটোক দেখা নাপাই মিনি নামৰ ছোৱালীজনীক নিজৰ ছোৱালী বুলি ভাবি নিজৰ সন্তানৰ সৰ্বস্ব মৰম ঢালি দিছে। মিনিক চায়েই নিজৰ সন্তানৰ কথা পাহৰিবলৈ যত্ন কৰিছে। শেষত সেই কাবুলীৱালা ৰহমতে সাঁচি থোৱা সমস্ত সম্পদ মিনিৰ বিয়াৰ দিনা তাইক লগ ধৰি বিয়াৰ আশীৰ্বাদ স্বৰূপে দি আঁতৰি গৈছে। পিতৃ হৃদয়ৰ কৰুণগাথা গল্পটোত প্ৰতিফলিত হৈছে। চৈয়দ আব্দুল মালিকৰ *'যীশুখৃষ্টৰ ছবি'* গল্পটোও সমধৰ্মী।

স্নেহ দেৱীৰ *'মধুৰ বেদনা'* গল্পটোত বাসুদেউৰ পত্নী যদিও দণ্ডুৰা, মুখৰা তিৰোতা তথাপিও তেওঁৰ জীয়েক হীৰামাই পিতৃবৎসল। বাসুদেউক হীৰামায়ে কৰা মৰমে পত্নীৰ তেনে ব্যৱহাৰবোৰকো পাহৰায় পেলায়। বাসুদেউৰ দুখ বুজা কন্যা হীৰামাইক সেই নৰকৰ পৰা আঁতৰাই সুখী কৰিবলৈ চিন্তা কৰি চৰণ নামৰ এজন বিনয়ী ডেকাৰ হাতত অৰ্পণ কৰিবলৈ ইচ্ছা কৰি নিশাৰ আন্ধাৰত মুকলি আকাশৰ তলত জীয়েকক ৰভাৰ তলত বিয়া দিয়াৰ সকলো আশা ভৰিৰে গচকি জীয়েকৰ সুখৰ আকাংক্ষাৰে চৰণৰ লগত পলাই যাবলৈ দিয়ে। জীয়েকক তেনেকৈ বিদায় দি পিতৃ হৃদয় চূৰ্ণ-বিচূৰ্ণ হ'ল যদিও এক মধুৰ তৃপ্তিও লাভ কৰিলে, অন্ততঃ জীয়েকে এতিয়াৰ পৰা কিছু সুখী হ'ব। এই গল্পটোতো পিতৃ হৃদয়ৰ কৰুণ বিননি শুনিবলৈ পোৱা যায়। কাহিনীৰ পাৰ্থক্য থাকিলেও গল্প দুটাৰ মূলভাৱ সমধৰ্মী।

**৫.০৩ (গ ) লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প আৰু স্নেহ দেৱীৰ গল্প**

'জোনাকী' যুগৰ গল্পকাৰ বেজবৰুৱাৰ গল্পবোৰ সাধুকথা আৰু চুটিগল্পৰ সংমিশ্ৰণেৰে ৰচিত। বেজবৰুৱাৰ গল্পৰ মাজেদি বাস্তৱবাদী সাহিত্যৰ ধাৰা প্ৰবৰ্তন হৈছিল বাবেই তেখেতৰ গল্পত নৰ-নাৰীৰ প্ৰেম আৰু মানৱতাবাদে গুৰুত্বপূৰ্ণ স্থান পাইছিল। নাৰীক আধ্যাত্মিক দৃষ্টিৰে চাইছিল বাবেই বেজবৰুৱাৰ বহু গল্পত নাৰীৰ মহিমা প্ৰদৰ্শিত হোৱা দেখা যায়। প্ৰহ্লাদ কুমাৰ বৰুৱাৰ *'অসমীয়া চুটি গল্পৰ অধ্যয়ন'*ত উল্লেখ আছে যে—

> "ৰবীন্দ্ৰনাথৰ *দেনা পাওনা, হৈমন্তী, যজ্ঞেশ্বৰৰ যজ্ঞ, স্ত্ৰীৰ পত্ৰ, পাত্ৰ ও পাত্ৰী* গল্পত নাৰীমনৰ চিৰন্তন সত্য আৰু সৌন্দৰ্যক পোহৰলৈ অনাৰ দৰেই বেজবৰুৱায়ো *ভদৰী, জয়ন্তী, পাতমুগী* আদি গল্পৰ

মাজেদি নাৰী চৰিত্ৰৰ সত্য আৰু সৌন্দৰ্য প্ৰকাশ কৰিছে। নাৰীৰ প্ৰতি সহৃদয় আৰু শ্ৰদ্ধাশীল দৃষ্টিভংগীৰ ক্ষেত্ৰত বেজবৰুৱা বাঙালী লেখক শৰৎ চন্দ্ৰৰ সৈতে একে। শৰৎ চন্দ্ৰৰ *অৰক্ষনীয়া, নিষ্কৃতি, নববিধান* আদি গল্পত নাৰীক মহত্বপূৰ্ণ ৰূপত চিত্ৰিত কৰা হৈছে। নাৰীৰ প্ৰতি এনে বিশেষ দৃষ্টিভংগী বেজবৰুৱাৰ গল্পতো লক্ষ্য কৰা যায়। প্ৰেমৰ দৃঢ়তা, গভীৰতা, আৰু মহত্বৰ দিশত *কন্যা, ভদৰী, নকওঁ, জলকুৱৰী* আদি গল্প উল্লেখযোগ্য আৰু এনে কিছুমান গল্পৰ মাজেদিয়ে নাৰীৰ প্ৰতি বেজবৰুৱাৰ সহৃদয় দৃষ্টিভংগীৰ উমান পাব পাৰি। নাৰীৰ প্ৰতি এনে দৃষ্টিভংগীৰ লগতে অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগত যি মানৱতাবাদৰ প্ৰতিষ্ঠা হৈছিল, সেই মানৱতাবাদৰো গল্পৰ মাজেদি প্ৰকাশ ঘটে বেজবৰুৱাৰ হাততে।"[১৮]

স্নেহ দেৱীয়েও ভালেকেইটা এনে ভাবধাৰাৰ গল্প ৰচনা কৰে। তাৰে ভিতৰত *'নাম দিম কল্যাণী', 'ৰমা', 'নিশাৰ পখী', 'ৰমলাৰ কথা', 'সুখীতা', 'মৰম'* আদি উল্লেখযোগ্য গল্প। এই গল্পবোৰতো নাৰীৰ প্ৰতি সহৃদয় দৃষ্টিভংগীৰ লগতে মানৱতাবাদো প্ৰকাশ পাইছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত সমকালীন সমাজৰ ভণ্ডামি, অন্তঃসাৰশূন্যতা, অন্ধবিশ্বাসজনিত সামাজিক কু-সংস্কাৰক চিত্ৰিত কৰি সেইবোৰক সংস্কাৰ কৰিবলৈ প্ৰয়াস দেখা যায়। বেজবৰুৱাৰ *'মলক গুইন গুইন, ভোকেন্দ্ৰ বৰুৱা, জাতিৰামৰ জাত'* আদি বহুকেইটা গল্প এই শ্ৰেণীৰ। স্নেহ দেৱীয়েও এনে ধৰণৰ গল্প কেইটামান ৰচনা কৰা দেখা যায়। এওঁৰ *'এটি মৃত্যুত', 'সহযোগ'* আদি গল্প অন্ধবিশ্বাস, কু-সংস্কাৰেৰে পৰিপূৰ্ণ যদিও গল্পকাৰৰ সংস্কাৰধৰ্মী মনোভাৱ প্ৰকাশ পোৱা দেখা যায়।

বেজবৰুৱাৰ কিছুমান গল্পত ব্যক্তি জীৱন আৰু পাৰিবাৰিক জীৱনৰ প্ৰতিচ্ছবি সুন্দৰভাবে প্ৰতিফলিত কৰিছে। তেওঁৰ তেনেধৰণৰ গল্পবোৰত ব্যক্তি জীৱনৰ হাঁহি-কান্দোন, সুখ-দুখ, নানান সংঘাতৰ চিত্ৰণেৰে মানুহৰ জীৱনক সহৃদয়তাৰে উপলব্ধি কৰাবলৈ যত্ন কৰা হৈছে। এনে ধৰণৰ গল্পবোৰ হ'ল— *'পুত্ৰবান পিতা', 'ভদৰী', 'নকও', 'জলকুৱৰী', 'মুক্তি'*আদি। স্নেহ দেৱীৰ প্ৰায়ভাগ গল্পই ব্যক্তি আৰু পাৰিবাৰিক জীৱনৰ ভিত্তিতেই ৰচিত। তেওঁৰ এই ধৰণৰ গল্পবোৰ হ'ল— *'যাদু' 'অপ্ৰত্যাশিত', 'অন্তৰালত', 'এধানি প্ৰাণৰ ব্যথা', 'সন্ধিয়াৰ কুঁৱলীত', 'সহযোগ', 'প্ৰিয় অসত্য', 'মধুৰ বেদনা', 'মনে মনে', 'ভাতৃ', 'কলংক', 'তেওঁলোকৰ মন', 'প্ৰত্যয়ৰ মৃত্যু'* ইত্যাদি। এই গল্পবোৰত ব্যক্তি তথা পাৰিবাৰিক জীৱনৰ হাঁহি-কান্দোন, সুখ-দুখ, সংঘাত, মিলন আদিৰে জীৱনক উপলব্ধি কৰিবলৈ যত্ন কৰা হৈছে।

**৫.০৩ (ঘ) ৰমা দাস আৰু স্নেহ দেৱীৰ গল্প**

*'আৱাহন'* যুগৰ গল্পকাৰ ৰমা দাসৰ গল্পৰ কিছু কিছু প্ৰভাৱ স্নেহ দেৱীৰ গল্পত দেখা যায়। ৰমা দাসৰ গল্পত বিশেষকৈ সেই সময়ত জৈৱিক প্ৰেমৰ মুকলিমূৰীয়া বৰ্ণনাৰে গল্পৰ জগতখনত এক আলোড়নৰ সৃষ্টি কৰিছিল, ৰোমাণ্টিক গল্পকাৰ হিচাপে তেখেতৰ অসমীয়া সাহিত্য জগতত এখন বিশিষ্ট আসন আছে। নৰ-নাৰীৰ প্ৰেম আৰু যৌনতা তেওঁৰ গল্পৰ প্ৰধান উপজীৱ্য। ৰমা দাসৰ *'অবুজ মায়া'*ৰ লগত স্নেহ দেৱীৰ *'এটি মৃত্যুত'* গল্পটোৰ বহুত সামঞ্জস্য লক্ষ্য কৰিব পাৰি।

ৰমা দাসৰ *'অবুজ মায়া'* গল্পটোত সমাজ পৰিত্যক্তা সেউতীৰ কৰুণ পৰিণতিয়ে এনে এক একময়তা লাভ কৰি পাঠককো পৰিণতিমুখী উৎকণ্ঠাত ডুবাই পেলাইছে। সমাজ পৰিত্যক্তা হৈ নিসংগ জীৱন-যাপন কৰা সেউতী বায়ে তাত সূতা বুই নিঃসংগ জীৱনক মানি লৈছে। গাঁৱৰ শিশুহঁতৰ লগত সোণ নামৰ কণমানি শিশুটিয়েও সেউতী বাইৰ চোতালত খেলা-ধূলা কৰে। কিন্তু সেউতীয়ে কোনোদিনে সিহঁতক তাইৰ ঘৰৰ পানী এটুপিও নাযাচে। তথাপিও ল'ৰাহঁতে সেউতী বাইক ভাল পায়। সমাজবিবৰ্জিতা সেউতী বায়েও সিহঁতৰ মাজেৰেই মন ভৰাই ৰাখে। 'সোণ' নামৰ ল'ৰাটোৰ এদিন সন্নিপাত জ্বৰত পৰাত সেউতী বাইকেই দোষাৰোপ কৰা হয় আৰু এই লাঞ্ছনা পাই সেউতী আত্মঘাতী হয়। এই সম্পৰ্কে সমালোচকে কৈছে যে —

> "সেউতীৰ নাৰীসুলভ মনৰ অব্যক্ত যন্ত্ৰণা আৰু সোণৰ শিশুসুলভ কোমল মনৰ নিষ্পাপতাই গল্পটিৰ অধিক সৌন্দৰ্য দান কৰিছে।"[১৯]

স্নেহ দেৱীৰ *'এটি মৃত্যুত'* গল্পটোতো স্বামীৰ অৰ্থলোভী স্বভাৱৰ বাবে তেওঁক ত্যাগ কৰি ললিতাই ৰমাকান্তক দ্বিতীয়বাৰৰ বাবে গ্ৰহণ কৰে। কিন্তু ৰমাকান্তৰ ওচৰত আত্মৰক্ষা কৰা ললিতা কলংকিনী আখ্যা পালে আৰু সমাজবিৰৰ্জিতা হ'ল। সৰু ল'ৰা-ছোৱালীক ভাল পায় বা মৰম কৰা বাবে তাই বশীকৰণ মন্ত্ৰ জানে বুলি সকলো ফালে প্ৰচাৰ কৰিলে। সৰু ল'ৰা-ছোৱালীবোৰক ললিতাৰ পৰা আঁতৰাই ৰাখিলে আৰু সকলোৰে তাইক ডাইনী বুলি আখ্যা দিলে। এনে মানসিক নিৰ্যাতনৰ কবলত পৰি ললিতাৰ এদিন মৃত্যু হ'ল কিন্তু মৃত্যুৰ পিছতো তেওঁৰ নিথৰ দেহত প্ৰেতাত্মাৰ বিচৰণ সমাজে দেখিলে। ৰমা দাসৰ সেউতীৰ দৰে ললিতাৰ চৰিত্ৰটো সমাজবিৰৰ্জিতা নাৰীৰ মনৰ অব্যক্ত যন্ত্ৰণাই গল্পটোৰ মূল বক্তব্য।

**৫.০৩ (ঙ) হলীৰাম ডেকা আৰু স্নেহ দেৱীৰ গল্প ঃ**

হলিৰাম ডেকা আৱাহন যুগৰ এজন গল্পকাৰ। হলিৰাম ডেকাৰ গল্পৰ প্ৰতি স্নেহদেৱী বিশেষভাৱে প্ৰভাৱিত হৈছিল।

> "আৱাহন যুগৰ গল্পকাৰসকলৰ ভিতৰত বিষয়বস্তু, ভাববস্তু আৰু কাৰিকৰী কৌশলৰ ভিতৰত অভিনৱত্ব সৃষ্টি কৰাৰ দিশত হলীৰাম ডেকা এগৰাকী বিশিষ্ট গল্পলেখক।"[২০]

মানুহৰ বৰ্হিংজগতখনতকৈ আভ্যন্তৰীণ জগতখনহে ডেকাৰ গল্পত বিশ্লেষিত হৈছে। হলীৰাম ডেকাৰ গল্পত সংযত বাণীভংগীৰ বাবেই আৱাহন যুগৰ গল্পৰ বৃহৎ পৰিসৰৰ বিপৰীতে চুটি পৰিসৰৰ ভিতৰত চৰিত্ৰৰ বিকাশ আৰু ভাবৰ প্ৰকাশ ঘটাব পাৰিছে। চুটিগল্পৰ কাৰিকৰী কৌশল আৰু শিল্প গুণৰ প্ৰয়োগৰ বাবেই হলীৰাম ডেকাৰ হাতত পোনপ্ৰথম যথাৰ্থ চুটিগল্পৰ সৃষ্টি হয়। এওঁৰ *'বে বড়ে ভাই, ভ্ৰষ্ট লিপি, দ্বিতীয় পক্ষ'* আদি সাৰ্থক চুটি গল্প।

ৰামধেনু যুগৰ চুটি গল্পকাৰসকলক বাট মুকলি কৰি দিয়াৰ দৰে স্নেহ দেৱীয়েও হলীৰাম ডেকাৰ গল্পৰ প্ৰতি আকৃষ্ট হৈছিল। হলীৰাম ডেকাৰ দৰে স্নেহ দেৱীয়েও গল্প লিখিবলৈ যত্ন কৰি তেখেতে এই ধাৰাৰ কেইটিমান কালজয়ী গল্পৰ জন্ম দিছিল। তাৰ ভিতৰত *'সূচনা, বিষক্ৰিয়া, পোহৰ, সমৰ, বন্ধু তুমি মোৰ তুমি শত্ৰু'* আদি উল্লেখযোগ্য গল্প।

**৫.০৩ (চ) বীণা বৰুৱাৰ গল্প আৰু স্নেহদেৱীৰ গল্প ঃ**

বীণা বৰুৱাৰ *'আঘোণী বাই'* আৰু স্নেহ দেৱীৰ *'ফুলীবাই', 'এধানি প্ৰাণৰ ব্যথা'* গল্প দুটাৰ যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয়। *'আঘোণী বাই'* গল্পটোৰ কাহিনী আঘোণী বাইৰ বিচিত্ৰ জীৱন কাহিনীৰ ওপৰত ৰচিত। আঘোণীৰ বয়স চাৰি কুৰিৰ ওচৰ চপা। আঘোণীৰ জীৱনৰ এই চাৰিকুৰি বছৰ দুখ-যন্ত্ৰণাৰে পৰিপূৰ্ণ। আঘোণীৰ একমাত্ৰ কন্যাসন্তান লয়নীৰ চাৰি বছৰ পূৰ নৌহওঁতেই গিৰীয়েকৰ মৃত্যু ঘটে। বিধৱা মাক আঘোণীয়ে জীয়েক লয়নীক বহুত দুখ-কষ্টেৰে প্ৰতিপালন কৰে। কিন্তু লয়নীয়ে মাকক নিঃসংগ কৰি গাঁৱৰে পদোলৈ পলাই যোৱাৰ পিছত এজনী লেঙেৰী ছোৱালী জন্ম দি লয়নীৰো মৃত্যু ঘটে। সেই লেঙেৰী নাতিনীয়েকজনীক আঘোণীয়ে তুলি-তালি ডাঙৰ-দীঘল কৰা বিভিন্ন ঘটনাৰ মাজেদি গল্পটোৰ সামৰণি ঘটিছে।

আঘোণী বাই আৰু ফুলীবাই সমকক্ষ চৰিত্ৰ। *আঘোণী বাই* গল্পটো আৰু স্নেহ দেৱীৰ *'ফুলীবাই'* গল্পটো সমাজৰ অন্তঃসাৰশূন্য শ্ৰেণীৰ চৰিত্ৰ হিচাপে চিত্ৰিত হৈছে। আঘোণী বাই চৰিত্ৰৰ মাজেদি জীৱনৰ মৌলিক সত্যবোৰ অতি সহৃদয়তাৰে তথা অন্তৰ্দৃষ্টিৰে চিত্ৰিত কৰাৰ দৰে ফুলীবাইকো অনুৰূপভাবে চিত্ৰিত কৰা হৈছে। হাত লৰ বুলি আঘোণীৰ কুখ্যাতি আছে যদিও প্ৰয়োজনত বুঢ়ীয়ে আনকো সহায় কৰিবলৈ নেৰে। কাৰোবাৰ ঘৰত কেতিয়াবা চিৰাকে এদোন খুন্দি দিছে। কাৰোবাৰ আকৌ চাউলৰ মলখুকেইটাকে মাৰি দিছে। স্নেহ দেৱীৰ ফুলীবাইও এটা পৰোপকাৰী চৰিত্ৰ।

নিজৰ দৰিদ্ৰতা নিৰ্মূলৰ বাবে সকলোৰে ঘৰলৈ যায়। দুই-এপদ কাম কৰি দিয়ে। গৃহস্থই যি দিয়ে তাৰেই তাইৰ সংসাৰ চলে—

> "সকলোৰে ঘৰত ফুলীৰ অবাধ গতি। গৃহস্থনীসকলক কাৰ কেনেকৈ মন ভাল লগাব পাৰে, ফুলীয়ে তাক ভালকৈ জানে।"[২১]

আঘোণী বাইও আনৰ বাৰীত পিয়াপি দি বস্তু বিচাৰি ফুৰা, প্ৰয়োজন হ'লেই যিকোনো মানুহক সহায় কৰাৰ মানসিকতা বাস্তৱৰ বহু মানুহৰ ক্ষেত্ৰতেই প্ৰযোজ্য। মাছ পানীত জন্ম হৈ পানীতেই ডাঙৰ-দীঘল হোৱাৰ দৰে আঘোণী বাই আৰু ফুলীবায়ো দৰিদ্ৰতাৰ মাজতেই জন্ম হৈ যেন দৰিদ্ৰতাকেই জীৱন হিচাপে লাভ কৰিছে। সেইবাবে এই দুয়োটা চৰিত্ৰই দৰিদ্ৰতাক লৈ চিন্তা কৰি জীৱনটো যন্ত্ৰণাময় কৰি তুলিব বিচৰা নাই। এই দুয়োটা চৰিত্ৰই বৰ্তমানক লৈহে চিন্তা কৰি জীৱন নিৰ্বাহ কৰিব বিচাৰিছে। দুয়োটা চৰিত্ৰই যেন আমাৰ অসমীয়া সমাজৰ চিৰপৰিচিত চৰিত্ৰ। দুয়োটা চৰিত্ৰই বাস্তবতাৰ সন্মুখিন হ'ব পৰাকৈ সবল চৰিত্ৰ। জীৱনৰ সংঘাত আৰু হতাশাই জুৰুলা কৰা মানুহৰ বাবে এই দুটা আদৰ্শ চৰিত্ৰ।

বীণা বৰুৱাৰ *'আঘোণী বাই'* গল্পটোৰ কাহিনী ভাগৰ কিছু অংশ স্নেহ দেৱীৰ *'এধানি প্ৰাণৰ ব্যথা'* নামৰ গল্পটিৰ লগত সামঞ্জস্য আছে। *'আঘোণী বাই'* গল্পটোত আঘোণীৰ জীয়েক কন্যাসন্তান এটি জন্ম দি মৃত্যুমুখত পৰিছে। ঠিক তেনেকৈ স্নেহ দেৱীৰ *'এধানি প্ৰাণৰ ব্যথা'* গল্পটোতো বুঢ়ীৰ জীয়েক এটা কন্যা সন্তান জন্ম দি মৃত্যু হৈছে। জীয়েকৰ মৃত্যুত বুঢ়ী ভাঙি পৰিছে। জীৱনৰ ছন্দ হেৰাই গৈছে। গল্পকাৰৰ ভাষাত—

> "বুঢ়ীৰ কল্পনাৰ আঁত হেৰাই গৈছিল জঁট লাগি। আকৌ লাহে লাহে আঁত বিচাৰি পাইছিল নাতিনীয়েক পূৰ্ণাক কোলাত লৈ। কল্পনাই আকৌ পাখি মেলিছিল...।"[২২]

*'আঘোণী বাই'* গল্পটোতো আঘোণীয়ে জীৱনত একো নাপালে দুখ আৰু যন্ত্ৰণাৰ মাজতেই তাইৰ জীৱন। নিজৰ স্বামীৰ মৃত্যুৰ পিছত জীয়েকেই আছিল জীৱনৰ একমাত্ৰ সম্বল। কিন্তু শেষত যেতিয়া তায়ো মাকক এৰি গুচি গৈছিল তেতিয়া আঘোণীক নিঃসংগতাই বেৰি ধৰিছিল। পিছত জীয়েক লয়নীয়ে এজনী পংগু ছোৱালী জন্ম দি মৃত্যু হোৱাৰ পিছত লেঙেৰী নাতিনীয়েকক কোলাত লৈ আঘোণীয়ে কৈছে—

> "লেঙেৰী হৈ উপজিলি ভালেই হ'ল, লয়নীৰ নিচিনাকৈ মোক আৰু এৰি থৈ যাব নোৱাৰিবি।"[২৩]

আঘোণী আৰু সেই বুঢ়ীগৰাকীৰো একেই অভাৱ-অনাটনৰ সংসাৰ। দুয়োটা গল্পতেই

নাতিনীয়েক দুজনীয়ে জন্মৰ পৰাই দৰিদ্ৰতাৰ স'তে যুঁজিব লগা হৈছে। দৰিদ্ৰতাৰ কঠিন বৃত্তৰ মাজত জন্মগ্ৰহণ কৰি সেই বৃত্ত ভেদ কৰি সুখ ভোগৰ এক নতুন জগতলৈ যোৱাৰ সামৰ্থ এই চৰিত্ৰসমূহৰ নাই।

মুঠতে স্নেহ দেৱীৰ গল্পবোৰত জানিয়েই হওক বা নাজানিয়েই হওক কাহিনী, চৰিত্ৰ আদিত এনে বিশেষ গল্পকাৰৰ গল্পৰ কিছু প্ৰভাৱ লক্ষ্য কৰিব পাৰি। প্ৰত্যক্ষভাবে নহ'লেও পৰোক্ষভাবে স্নেহ দেৱীৰ গল্পত এনেকুৱা সামঞ্জস্য ঘটিছে। হয়তো সমাজৰ জীয়া বাস্তৱে কোঙা কৰা মানুহৰ সান্নিধ্যলৈ অহা স্নেহ দেৱীৰ গল্পৰ চৰিত্ৰবোৰো মানৱীয় অনুভূতিৰে সিক্ত হোৱা বাবে একেধৰণৰ সামঞ্জস্য দেখা গৈছে। বিভিন্ন গল্পকাৰৰ গল্প অধ্যয়নো এনে প্ৰভাৱৰ অন্যতম কাৰণ হ'ব পাৰে। বৌদ্ধিক ভাবে পিছপৰা হ'লেও অইন গল্পকাৰৰ প্ৰভাৱে এখেতৰ চুটিগল্পসমূহ সুখপাঠ্য আৰু মনোগ্ৰাহী কৰি তুলিছে বুলি ক'ব পাৰি।

**৫.০৪ স্নেহ দেৱীৰ গল্পত প্ৰগতিশীল চিন্তা ঃ**

স্নেহদেৱীৰ কিছুমান গল্পত অন্ধবিশ্বাস, কু-সংস্কাৰ, অবৈজ্ঞানিক নিয়ম-নীতি আদিৰ প্ৰভাৱ দেখা যায়। তদানীন্তন সমাজখনত প্ৰচলিত নিয়ম-নীতি সমূহ প্ৰতিফলিত কৰাৰ বাবেই এই বিষয় সমূহে গল্পত স্থান পাইছে। পুৰণি কলীয়া নিয়ম-নীতিৰে পৰিচালিত তাহানিৰ সমাজ ব্যৱস্থাৰ বৰ্তমান যুগত লাহে-লাহে মূল্যহীন হৈ আহিছে। তদানীন্তন সমাজখনতো কিছুমান চৰিত্ৰই বৈজ্ঞানিক মানসিকতাৰে অনুপ্ৰানিত হৈ প্ৰগতিবাদী চিন্তা ধাৰাৰ পৰিস্ফুৰন ঘটা দেখা যায়। সেয়ে এই উপ-অধ্যায়টোত তেওঁৰ গল্পত প্ৰতিফলিত হোৱা প্ৰগতিশীল চিন্তা ধাৰা সমূহৰ বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হ'ল।

আৱাহন যুগতেই অসমীয়া চুটিগল্পত প্ৰগতিশীল চিন্তাৰ উন্মেষ ঘটিছিল। কিন্তু আৱাহন যুগৰ চুটিগল্পত কেৱল দুটা দিশতহে প্ৰগতিশীল চিন্তাধাৰাৰ প্ৰকাশ ঘটা দেখা যায়। এটা হ'ল নাৰীমুক্তি, আনটো সমাজৰ অৰ্থনৈতিক মুক্তি। ৰামধেনু যুগ অহাৰ লগে লগেই প্ৰগতিশীল চিন্তাধাৰা আৰু বিস্তাৰিত হৈ মানুহৰ সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক দিশলৈও গতি কৰি এই চিন্তাধাৰাৰ জগতখন বিস্তাৰিত হৈ পৰে।

দ্বিতীয় বিশ্বযুদ্ধই সৃষ্টি কৰা মানৱিক মূল্যবোধৰ অৱক্ষয় আৰু ভাৰতৰ স্বাধীনতা লাভৰ পিছত বিভিন্ন শোষকৰ উৎপীড়নত জনসাধাৰণ অতিষ্ঠ হৈ পৰাৰ পৰিণতিস্বৰূপে ৰামধেনু যুগৰ চুটিগল্পত প্ৰগতিশীল চিন্তাধাৰা অধিক শক্তিশালী হৈ উঠিছিল। যুগৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ মনৰো পৰিবৰ্তন হ'ল। এনে পৰিবৰ্তনৰ ফলস্বৰূপে বিভিন্ন সামাজিক কু-সংস্কাৰ তথা নাৰী সমাজৰ প্ৰতি

থকা পুৰণিকলীয়া ধ্যান-ধাৰণাৰো সলনি হ'ল। ৰামধেনু যুগত প্ৰাচীন পৰম্পৰাৰ অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু নাৰী মুক্তিৰ বিষয়টো গৌণ হৈ পৰিল। আৱাহনৰ চুটিগল্পত সাম্যবাদী দৃষ্টিৰে শোষক-শোষিত শ্ৰেণীৰ দ্বন্দ্বৰ ওপৰত গুৰুত্ব দি যিদৰে প্ৰগতিবাদী চিন্তাধাৰাক গুৰুত্ব দিয়া হৈছিল সেই চিন্তাধাৰা ৰামধেনু যুগত অধিক শক্তিশালী হৈ পৰিল। ৰামধেনুৰ চুটিগল্পত সমাজৰ শোষক শ্ৰেণীৰ বিৰুদ্ধে বিষোদ্‌গাৰ ঘোষণা আৰু নিষ্পেষিতসকলৰ প্ৰতি সহানুভূতি তীব্ৰ হৈ উঠিল।

প্ৰগতিবাদ সম্পৰ্কে এতিয়াও কোনো স্পষ্ট ধাৰণা নাই। বহুতেই ভাৱে ধনী বা শোষক শ্ৰেণীৰ প্ৰতি বিদ্বেষেই প্ৰগতিবাদ। সেইবাবে সমাজৰ বিত্তৱান মানুহখিনিকেই শোষক জ্ঞান কৰা হয়। মানুহৰ সাধাৰণ ধাৰণা যে শোষণ কৰিয়েই এই শ্ৰেণীটো বিত্তৱান হৈ পৰিছে। সেইবাবে এই শ্ৰেণীটোৰ ওপৰত সৰ্বসাধাৰণে তীব্ৰ প্ৰত্যাহ্বান আৰু বিশেদ্‌গাৰ কৰা দেখা যায়। এই বিষয়ে তাৰিণীকান্ত ভট্টাচাৰ্য্যই মন্তব্য কৰিছে যে—

> "প্ৰগতি সাহিত্যই যদি মাত্ৰ বাহ্যিক ক্লেদ অন্যায় আদিৰ তালিকা প্ৰস্তুত কৰিয়েই ক্ষান্ত থাকে, তেন্তে তাৰ পৰা বিশেষ একো লাভ নহ'ব।"[২৪]

সমাজৰ পৰম্পৰাগত কু-সংস্কাৰবোৰ দূৰ কৰি সমাজক নতুন পথৰ সন্ধান দিয়াটোৱেই প্ৰগতিবাদী চিন্তাৰ মূল উদ্দেশ্য। এই উদ্দেশ্য আগত ৰাখি স্নেহ দেৱীয়ে কেইটামান গল্প ৰচনা কৰিছে। এই ভাবধাৰাৰ *'সহযোগ'* গল্পটো এটা উল্লেখযোগ্য গল্প। গল্পটোত মাহিন্দ্ৰী নামৰ মহিলাগৰাকীয়ে প্ৰাচীন আৰু গ্ৰাম্য পৰম্পৰা অনুযায়ী নাতিয়েকৰ বেমাৰ ভাল কৰিব বিচাৰিছে। সেয়ে অপদেৱতাৰ দোষ বুলি জৰা-ফুকাকে আদি কৰি বিভিন্ন পন্থা গ্ৰহণ কৰিছে। বেমাৰ ভাল কৰিবলৈ ভকতসেৱা কৰিছে, মঙল চাইছে। তথাপিও বেমাৰ ভাল নোহোৱাত নদীত নামি জাকৈ, খালৈ লৈ ল'ৰাটোৰ আয়ু তুলিছে। কিন্তু গল্পটোত গল্পকাৰে প্ৰগতিশীল চিন্তা ধাৰাৰ পৰিস্ফুৰণ ঘটাইছে শোভনৰ জৰিয়তে। শোভনে মনে মনে ডাক্তৰী ঔষধ খুওৱা বাবেহে ল'ৰাটো সম্পূৰ্ণ সুস্থ হৈ উঠিল।

স্নেহ দেৱীৰ *'এটি মৃত্যুত'* গল্পত ললিতা নামৰ মহিলাগৰাকীৰ স্বামীৰ নিষ্ঠুৰতাৰ পৰা হাত সাৰিবলৈ প্ৰথম স্বামীক ত্যাগ কৰি ৰমাকান্তৰ লগত দ্বিতীয় বিবাহ কৰি নিজকে ৰক্ষা কৰে। কিন্তু তাইৰ কৰ্মৰ বাবে সমাজৰ দৃষ্টিত তাই হৈ পৰিল কলংকিতা, ডাইনী। সৰু ল'ৰা-ছোৱালীক মৰম কৰা, নিচুকাব জনা বাবেই তাই বশীকৰণ মন্ত্ৰ জানে বুলি সমাজে তাইক বৰ্জন কৰি মানসিক শাস্তি দিয়ে। এনে মানসিক হাৰাশাস্তিৰ বাবেই তাই লাহে লাহে মৃত্যুৰ মুখলৈ গতি কৰিলে। কিন্তু গল্পকাৰ ৰমাকান্তৰ জৰিয়তে প্ৰগতিবাদী ভাবধাৰাৰ পৰিচয় দিছে। সমাজে ললিতাক ডাইনী বুলি ভাবিছিল যদিও ৰমাকান্তই ললিতাৰ প্ৰতি এনে ভাবধাৰাবোৰ বিশ্বাসত ল'ব পৰা নাছিল। ললিতাক তেওঁ

কোনোদিনে ডাইনী জ্ঞান কৰা নাই। এনে গল্পবোৰৰ জৰিয়তে প্ৰাচীন অন্ধবিশ্বাস, কুসংস্কাৰৰ প্ৰতি বিদ্ৰোহ আৰু নতুন মূল্যবোধ প্ৰতিষ্ঠাৰ ভাবধাৰাৰে প্ৰগতিবাদী চিন্তাধাৰা উন্মেষ ঘটা দেখা যায়।

স্বাধীনতাৰ পিছত শাসকৰূপী শোষক শ্ৰেণীৰ শোষণৰ সীমা চেৰাই সংঘটিত কৰা ঘটনাসমূহ বিভিন্ন গল্পকাৰৰ গল্পত প্ৰকাশ পোৱাৰ উপৰিও স্নেহ দেৱীৰ গল্পতো এনে শোষণৰ চিত্ৰৰ লগতে তাৰ বিৰুদ্ধে প্ৰতিবাদো ধ্বনিত হৈছে। স্নেহ দেৱীৰ তেনে ধৰণৰ গল্পসমূহৰ ভিতৰত *'মৃদু মধুৰ'* গল্পটো উল্লেখযোগ্য। গল্পটোত ভগনীয়া, মগনীয়াসকলক ৰাজীৱ নামৰ চৰিত্ৰটোৱে দেখিবই নোৱাৰে। মগনীয়াসকলৰ প্ৰতি ৰাজীৱৰ চিন্তাধাৰা এনে ধৰণৰ—

> "এটা ষ্টেচনত আলৰ বুঢ়ী এজনীয়ে ভিক্ষা কৰি ফুৰি ফুৰি তেওঁবিলাকৰ ওচৰ পাই কৈছিল— 'আই এটা পইচা।' ঘৈণীয়েকে ৰুমালত থকা খুচুৰা পইচাৰ গাঁঠিটো খোলা দেখি গিৰিয়েকে কৈছিল, 'নিদিবা। এইবোৰক, এই মগনীয়াবোৰক মোৰ দেখিবৰ মন নাযায়। ইহঁতৰ এইবোৰ ব্যৱসায়।' হাতত ধৰি বাধা দিছিল। ঘৈণীয়েকৰ মনত এফালে নিজৰ অজ্ঞতা, আনফালে বুঢ়ীজনীৰ কাতৰ মুখ।"[২৫]

ৰাজীৱৰ এনে নিষ্ঠুৰতাৰ বাবে ঘৈণীয়েক ৰমাই মনে মনে দুখ পাইছিল। ৰাজীৱৰ নিষ্ঠুৰতাৰ কাৰণো বিচাৰি পোৱা নাছিল। কিন্তু প্ৰগতিবাদী চিন্তাধাৰা গল্পকাৰে অতি দক্ষতাৰে বৰ্ণনা কৰিছে। গল্পটোৰ শেষত ৰাজীৱৰ চাৰিত্ৰিক পৰিবৰ্তনৰ দ্বাৰা প্ৰগতিশীল চিন্তাধাৰাৰ পৰিচয় দিছে। গল্পটোৰ শেষত ৰমাক আচৰিত কৰি নিজৰ ফটা চুৰীয়াখন মগনীয়াক দিবলৈ কৈছে আৰু মগনীয়া সম্পৰ্কে তেওঁ মন্তব্য দিছে—

> "নহয় বুজিছা, মগনীয়াই মগনীয়াই আছে। আটাইবোৰ একে নহয়।"[২৬]

গল্পটোৰ এনে পৰিবৰ্তনশীল ভাবধাৰাই প্ৰগতিশীল চিন্তাধাৰাৰ পৰিচয় দিছে।

*'বিপত্তি'* গল্পটোতো গজপতি মহাজনৰ শোষণৰ কথা প্ৰকাশ পাইছে। এনে প্ৰায়ভাগ মহাজন শ্ৰেণীৰ মানুহবোৰে সদায় দৰিদ্ৰতাৰ সুযোগ লয়। গোলকচাঁদৰ দৰিদ্ৰতা আৰু দুৰ্বলতাৰ সুযোগ লৈ মহাজনে শেষত তেওঁৰ পত্নী মতিয়াকো লালসা কৰে। কিন্তু এইখিনিতে গল্পকাৰে ডাঃ আশালতা নামৰ এগৰাকী প্ৰগতিবাদী নাৰী চৰিত্ৰৰ সৃষ্টি কৰিছে। এই নাৰী চৰিত্ৰটোৱেই গোলাকচাঁদ আৰু মতিয়াক মহাজনৰ কু-দৃষ্টিৰ পৰা ৰক্ষা কৰিছে।

*স্নেহ দেৱীৰ 'অন্তৰালত', 'মনে মনে', 'এধানি প্ৰাণৰ ব্যথা'*আদি গল্পত ভূমিহীন দৰিদ্ৰ পৰিয়ালৰ কৰুণ কাহিনী বৰ্ণিত হৈছে। বৰ্তমান এই মানৱতাহীন পৃথিৱীখনত মানুহৰ মানবীয় মূল্যবোধ একেবাৰে হেৰাই যোৱা পৰিলক্ষিত হয়। কিন্তু প্ৰগতিবাদী চিন্তাই এনে মানৱতাক পুনঃপ্ৰতিষ্ঠিত কৰিব বিচাৰিছে। এই ক্ষেত্ৰত সমালোচকে কৈছে যে -

"মানৱীয় মূল্যবোধক খৰ্ব কৰা যিকোনো কাৰ্য আৰু যিকোনো ধৰণৰ মানসিকতাক উদঙাই দি মানুহক মানৱিক মূল্যবোধৰ শিক্ষা দিয়া প্ৰগতিবাদী সাহিত্যৰ উদ্দেশ্য।"[২৭]

স্নেহ দেৱীৰ এনে ভাবধাৰাৰ গল্প ভালেকেইটামান পোৱা যায়। তাৰে ভিতৰত *'সম্বল'* গল্পটো উল্লেখযোগ্য। গল্পটোত এজন পণ্ডিত (মাষ্টৰ)ৰ মানসিক জগতৰ অকথিত কাহিনীৰে গঢ় লৈ উঠিছে। অকালতে কোলা শূন্য কৰি যোৱা নিজৰ অতিকৈ মৰমৰ ছোৱালীজনীক হেৰুৱাই পণ্ডিতৰ মানসিক জগতখন বিধ্বস্ত কৰি পেলাইছিল। কিন্তু ৰুকনী নামৰ কেও কিছু নোহোৱা এজনী সৰু ছোৱালীক পাই তেওঁলোকৰ বিধ্বস্ত মানসিক জগতখন কিছু শাঁত পৰিছিল। নিজ কন্যাৰ সকলো মৰম তাইকে ঢালি দিছিল। কিন্তু তাৰ বিনিময়ত সেই সমাজৰ কিছুমান মানুহৰ পৰা পাইছিল ককৰ্থনা। তেওঁৰ এই অভিজ্ঞতা গল্পটোত প্ৰকাশ পাইছে এইদৰে—

"কিন্তু এই নিঃস্বাৰ্থ, নিষ্কলুষ মৰম, ইও আন কিছুমানৰ চকুত দেখা দিলে কিমান কদৰ্য ভাবে। কিয় এনেকুৱা হয়? মানুহে কিয় এনে ভুল কৰে? কথাটো দকৈ যিমানে ভাবিলে সিমানে তেওঁ শিয়ৰি উঠিল।"[২৮]

গল্পটোত মানুহবোৰৰ এনে মানসিকতাই মানৱীয় মূল্যবোধৰ শিক্ষা দিয়া পৰিলক্ষিত হয়।

*'অপ্ৰত্যাশিত'* গল্পটোতো সত্য নামৰ মানৱীয় গুণেৰে পৰিপূৰ্ণ চৰিত্ৰটোত অপবাদৰ কালিমা সানি মানৱীয় মূল্যবোধক খৰ্ব কৰাৰ চেষ্টা দেখা যায়। ললিতৰ ঘৰৰ বিপদকালত সহায় কৰা গাঁৱৰ মহিলা সত্য নিজৰ দহোবন কাটি কৰি সহায়ৰ বাবে আগবাঢ়ি গৈ শেষত সেইখন ঘৰৰ পৰাই চোৰ অপবাদৰ পুৰস্কাৰ লৈ মৰি মৰি জীয়াই থাকিবলগীয়া হৈছে।

স্নেহ দেৱীৰ *'জননী'* গল্পটোত মাক পুতেকৰ মতান্তৰৰ কাহিনী দাঙি ধৰা হৈছে। গল্পটোত আদিত্যৰ মাকে নানা দুখ-কষ্ট সহ্য কৰিও, সমাজৰ দৃষ্টিত অৱহেলিত হৈও নিজ পুত্ৰ আদিত্যক মানুহ কৰি গঢ়ি তুলিলে। কিন্তু সেই আদিত্যই অলপ টকা-পইচা উপাৰ্জন কৰাৰ পাছতেই মাকৰ কোনো ধৰণৰ সন্মতি নোহোৱাকৈয়েই এজনী ছোৱালীক বিয়া কৰাই আনিলে। দুয়োখন ঘৰৰ পৰিয়ালৰ মাজত সমূলি মিল নাছিল বাবেই ন-বোৱাৰীয়ে শাহুৱেকক আপোন বুলি ভাবিব নোৱাৰা হ'ল আৰু অৱশেষত পুতেক আদিত্যয়ো মাকক ভাল চকুৰে চাব নোৱাৰা হৈ পৰিল। পুতেক আদিত্যই মাকক ভাল মাতেৰেও নমতা হ'ল। মাকক নিজৰ সন্তানৰ মৰম-স্নেহ কৰাৰ পৰাও বঞ্চিত কৰিলে। কিন্তু গল্পকাৰৰ প্ৰগতিশীল চিন্তাধাৰাই গল্পটোৰ শেষত এটি আকস্মিক মুহূৰ্তত আদিত্যক উপলব্ধি কৰোৱা হৈছে যে তেওঁ মাকৰ প্ৰতি যি আচৰণ কৰিছে সেয়া আচলতে তেওঁৰ ভুল হৈছে। আদিত্যই মাকৰ প্ৰতি কৰা অবিচাৰৰ প্ৰতি অনুতপ্ত হোৱা দৃশ্যৰ দ্বাৰা গল্পটোৰ সামৰণি পৰিছে।

শোষক শ্ৰেণীয়ে সদায় মানুহৰ দুৰ্বলতাৰ সুযোগলৈ বিভিন্ন প্ৰকাৰে শোষণ কৰি আহিছে। প্ৰগতিবাদী চিন্তাই সদায় সেই দুৰ্বল শ্ৰেনীটোৰ পক্ষ লৈ শোষকৰ শোষণৰ প্ৰতি প্ৰতিবাদ কৰা দেখা যায় -

> "সমাজৰ অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ জীৱনৰ শোকাৱহ অৱস্থাৰ প্ৰতিফলনৰ মাজেদি প্ৰগতিবাদী চিন্তাধাৰাৰ প্ৰকাশ পাব পাৰে। ধনী শ্ৰেণীটোৰ প্ৰতি কোনো প্ৰকাৰৰ ক্ষোভ আৰু ঘৃণা প্ৰকাশ নকৰাকৈ কেৱল দলিত শ্ৰেণীৰ শোকাৱহ জীৱনৰ মাজেদি গভীৰ মানৱীয় চেতনাৰ উপলব্ধিৰ মাজেদি প্ৰকাশ পোৱা প্ৰগতিবাদী ভাবধাৰাই সমাজ পৰিৱৰ্তনত অধিক সহায় কৰে।"[২৯]

স্নেহ দেৱী এনে ভাৱধাৰাৰ গল্পৰ ভিতৰত *'ফুলীবাই'* এটা উল্লেখযোগ্য গল্প। গল্পটোত ফুলীবাই একেবাৰে দৰিদ্ৰ এগৰাকী মহিলা। ৰোগগ্ৰস্থ স্বামী আৰু অকৰ্মণ্য পুতেকৰ বাবে ফুলীয়ে নিজেই সংসাৰ চলাব লাগে। সেয়ে তাই চুবুৰিৰ ইঘৰ-সিঘৰত কাম কৰি যি পায় তাৰেই সংসাৰ চলে। তাইৰ ভৱিষ্যৎ বুলিবলৈ একো নাই। এশ এবুৰি অভাৱ-অনাটনৰ সংসাৰখন তাই অতি কষ্টেৰে জোৰা-টাপলি মাৰি চলাবলগীয়া হৈছে। গল্পটোত দৰিদ্ৰতাই কোঙা কৰা অভাৱগ্ৰস্ত সংসাৰ এখনৰ কথা চিত্ৰিত কৰা হৈছে।

স্নেহ দেৱীৰ *'মনে মনে'* গল্পটোতো দৰিদ্ৰতাৰ নিকৰুণ চিত্ৰ এখন স্পষ্ট ৰূপত প্ৰকাশি উঠিছে। গল্পটোত যমুনা আৰু কমল এহাল স্বামী-স্ত্ৰী। তেওঁলোকৰ একমাত্ৰ পুত্ৰ সন্তান পোহৰ। আঢ়ৈ বছৰীয়া পোহৰে পুষ্টিহীনতাৰ বাবে ৰোগগ্ৰস্ত হৈছে। তাৰ এসাঁজ ভাল আহাৰ খুৱাবলৈও পৰিয়ালটোৰ সামৰ্থ নাই। লোকৰ কুকুৰা এজনী সিহঁতৰ ঘৰলৈ অহা দেখি মনে মনে সিহঁতে ভাবিছে যে অন্ততঃ এটা কণী সিহঁতৰ ঘৰত পাৰিলেও কণীটো পোহৰক খুৱাব পাৰিলেহেঁতেন। কমলেও মনে মনে সেই কথা ভাবি কণী পৰাৰ বাবে মনে মনে খেৰ কিছু গোটাই কুকুৰাটোক সুবিধাও কৰি দিয়ে আৰু মনে মনে দুয়ো কুকুৰাটোৱে কণী পাৰে নেকি চায়ো থাকে। বহু কষ্ট কৰি অকণমান গাখীৰ যোগাৰ কৰিছে যদিও সেইখিনিকো মেকুৰীয়ে খাই পেলাইছে। গল্পটো দৰিদ্ৰতাই কোঙা কৰা এখন সংসাৰৰ চিত্ৰ অংকন কৰা হৈছে, যিখন সংসাৰত পুষ্টিকৰ খাদ্যৰ কথাতো বাদেই জীৱনটোক জীয়াই ৰাখিবলৈ এমুঠি আহাৰৰ কথাও ভাবিব লাগে।

*'এধানি প্ৰাণৰ ব্যথা'* গল্পটোত পূৰ্ণা নামৰ সৰু ছোৱালীজনীৰ ককাক-আইতাকহঁতৰ সংসাৰখন এখন অভাৱী সংসাৰ। মাতৃৰ মৃত্যুৰ পিছত পিতৃৰ দায়িত্বহীনতাৰ আইতাক আৰু ককাকৰ সান্নিধ্যৰ ডাঙৰ হোৱা পূৰ্ণা মনস্তত্বৰ অভাৱ অনাটনৰ পৰিৱেশত সৃষ্টি হৈছে। পৰিয়াল চলোৱাৰ বাবে ককাক আইতাকৰ সংগ্ৰাম আৰু পূৰ্ণাৰ মানসিক জগতৰ চিন্তাক বিষয়বস্তু হিচাবে লোৱা এই গল্পটোত প্ৰগতিবাদৰ ছাঁ পৰিছে। সংসাৰ পৰিচালনাৰ নামত সেই বৃদ্ধ বয়সতো দুয়োজনে হাড়ভঙা পৰিশ্ৰম

কৰিব লগা হৈছে। তথাপিও এসাঁজ ভালকৈ খাব, পিন্ধিবলৈ এযোৰ ভাল কাপোৰ তেওঁলোকৰ নাই। ককাকে ৰাতি দোভাগলৈকে কাম কৰে। কিন্তু নিজৰ ভাগৰ মিঠাইখিনি মৰমতে নাতিনীয়েকলৈ আনে। দৰিদ্ৰতাৰ এনে জীৱন্ত ছবি গল্পটোত অংকন কৰা হৈছে।

নাৰীমুক্তিৰ প্ৰতিধ্বনি প্ৰগতিবাদৰ অন্য এক বৈশিষ্ট্য। স্নেহ দেৱীৰ কেইটামান গল্পত নাৰীমুক্তিৰ প্ৰতিধ্বনি শুনা যায়। বিশেষকৈ তেওঁৰ *'ৰমলাৰ কথা'* গল্পটোত নাৰীমুক্তিৰ এক চিত্ৰ প্ৰতিফলিত হৈছে। গল্পটোত ৰমলাই নিজৰ মাক-দেউতাকৰ সংসাৰখন আৰু দুশ্চৰিত্ৰৰ ভিনিহিয়েকক দেখি তাই বিয়া নহ'বলৈ সিদ্ধান্ত লৈছে। নিজৰ মাক-দেউতাকৰ সংসাৰ খন বাহিৰৰ পৰা সুখী যেন লাগিলেও মাকৰ উদণ্ড স্বভাৱৰ কাৰণে দেউতাকে সদায় আত্মসমৰ্পণ কৰিব লগীয়া হৈছে। ইফালে ভিনিহিয়েক বিবাহিত যদিও পৰনাৰীৰ প্ৰতি আকৃষ্ট। বৈবাহিক জীৱনৰ এনে অসুস্থ বাতাৱৰণে তাইক ভাবিবলৈ বাধ্য কৰিছে আৰু তাই সিদ্ধান্ত লৈছে যে তাই চিৰজীৱন অবিবাহিত হৈ থাকিব। গল্পটোত নাৰী মুক্তিৰ ব্যঞ্জনা পৰিস্ফুট হৈছে এইদৰে—

> "মোৰ নিচিনা সমস্যাৰ সন্মুখীন হোৱা ছোৱালীবিলাকক বিচাৰি মই যেন চিঞৰি চিঞৰি আটাইকে কৈ ফুৰিম— 'আহা আমি সজাগ হওঁ, নিজৰ ভৰিত নিজে থিয় দিবলৈ শিকো।'"[৩০]

*'বিচিত্ৰ'* গল্পটোত কাবেৰীয়ে প্ৰকাশ্যে নহ'লেও গোপনে নাৰীমুক্তিৰ কথা ঘোষণা কৰিছে। কাবেৰীয়ে মাকৰ কথা ৰাখি নিজৰ ভালপোৱাকো বিসৰ্জন দি এজন দুশ্চৰিত্ৰৰ যুৱকৰ স'তে বিবাহ পাশত আৱদ্ধ হৈ চিৰজীৱন অনুতপ্ত হৈছে। মাকৰ ইচ্ছাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব নোৱাৰা কাবেৰীয়ে আওপকীয়াকৈ মাহীয়েককে দোষাৰোপ কৰিছে। কাবেৰীৰ মতে মাহীয়েকে যদি তাইৰ ভুল সিদ্ধান্তৰ বাবে খং কৰিলেহেঁতেন, তাইক উত্তপ্ত কৰি তুলিলেহেঁতেন তেন্তে কিজানি তাইৰ জীৱনত এনে বিপৰ্যয় নহ'লহেঁতেন। গল্পটোত এনেদৰে গোপনে কাবেৰীয়ে নাৰীমুক্তি ঘোষণা কৰিছে।

*'বন্ধু তুমি মোৰ তুমি শত্ৰু'* গল্পটোত অকাল বৈধব্যক সাবটি লোৱা প্ৰীতিক সুৰজিতে পুনৰ বিবাহ কৰি মুক্তি দিব বিচাৰিছে। উদীয়মান ডেকা সুৰজিতে পৰম্পৰাৰ ডেওনা পাৰ হৈ প্ৰীতিৰ ওচৰ পোৱাত প্ৰীতিয়েও সমাজৰ পৰম্পৰা ভেদ কৰি নাৰী মুক্তি ঘোষণা কৰি সকলো বন্ধন ছিঙি ওলাই আহিব বিচাৰিছে। গল্পকাৰে অকাল বৈধব্যক আকোঁৱালি লোৱা প্ৰীতিৰ যৌৱন ব্যৰ্থ হৈ যাবলৈ নিদি পুনৰ বিবাহৰ বাবে আগবঢ়াই দি ৰক্ষণশীল সমাজখনৰ বিৰুদ্ধে প্ৰতিবাদ ঘোষণা কৰাৰ লগতে প্ৰীতিকো দোষমুক্ত কৰিছে।

স্নেহ দেৱীৰ *'এটি বিশেষ ৰাতি'* গল্পটোতো যুতি, লতি আৰু ডাঃ আশালতা এই তিনিটা নাৰী চৰিত্ৰৰ যোগেদি প্ৰগতিবাদী চিন্তাধাৰা প্ৰকাশ পাইছে। গল্পটোত অকালতে বৈধব্যক সাবটি ল'বলগা

হোৱা লতিৰ পুনৰ বিবাহৰ বাবে চেষ্টা কৰি ডাঃ আশালতাই সামাজিক কু-সংস্কাৰৰ বিৰুদ্ধে বিদ্রোহ ঘোষণা কৰিছে। গল্পটোত নাৰী মুক্তিৰ প্রতিধ্বনি প্রতিফলিত হৈছে। গ্রাম্য সমাজৰ অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ প্রতিও সংস্কাৰৰ মনোভাৱ গল্পটোত দেখা যায়।

প্রগতিবাদ মানে হ'ল সমাজ এখনক সুস্থিৰ আৰু নির্মলভাৱে পৰিচালিত কৰা --

"সমাজৰ সকলো প্রকাৰৰ অশুভ শক্তিৰ প্রতি তীক্ষ্ণ দৃষ্টি আৰু সমাজৰ স্থিতাৱস্থাক নির্মূল কৰি গতিধর্মী কৰি তুলিব পৰা দৃষ্টিভংগীকে প্রগতিবাদ বোলা হয়।"[৩১]

অসমীয়া চুটিগল্পত ভালেকেইজন গল্পকাৰে এনে ভাবধাৰাৰ প্ৰৱেশ ঘটাইছে। বিশেষকৈ সমকালৰ অশুভ শক্তিক বিচাৰি সমাজক স্থিতাৱস্থাৰ পৰা মুক্ত কৰি গতিধর্মী কৰি তোলাত চৈয়দ আব্দুল মালিক, বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য, যোগেশ দাস আদিৰ যথেষ্ট অৰিহণা দেখা যায়। এই ভাবধাৰা স্নেহ দেৱীৰো কেইটামান গল্পত লক্ষ্য কৰিব পাৰি। আধুনিক পশিচমীয়া সংস্কৃতিৰ প্রতি আকৃষ্ট হৈ নিজৰ সংস্কৃতি পাহৰি যোৱাসকলৰ প্রতি গল্পকাৰে বিদ্রূপ মন্তব্য কৰিছে। স্নেহ দেৱীৰ এনে এটা গল্প হ'ল *'সংকট মুহূর্তত'*। গল্পটোত বিশেষকৈ গল্পকাৰে নাৰীৰ স্বাধীন মনোবৃত্তিক শ্রদ্ধা কৰিলেও তথাকথিত আধুনিকা নাৰীৰ ফোপোলা অন্তঃসাৰশূন্যতা আৰু স্বাধীনতাৰ নামত অবাধ বিচৰণ আৰু অমার্জিত আচৰণ সমর্থন কৰা নাছিল। গল্পটোৰ কেন্দ্রীয় চৰিত্র মাধৱী এগৰাকী তথাকথিত আধুনিকা নাৰী। তাই সমাজৰ পৰম্পৰা আৰু প্রাচীন ভাবধাৰাৰে পৰিচালিত নবৌয়েক আৰু সহজ-সৰল মনৰ ভনীয়েক চিনুক সদায় অৱজ্ঞাৰ চকুৰে চাইছিল। কিন্তু এদিন তাই শংকৰৰ লগত কটোৱা এটা সংকটময় মুহূর্তত অনুভৱ কৰিলে যে তাইৰ দৰে আধুনিকতাত বিশ্বাসী আধুনিকাসকলৰ প্রতি পুৰুষ সমাজৰ কোনো শ্রদ্ধা নাই। এনে আধুনিকতাত বিশ্বাসী নাৰীক জীৱনসংগী কৰি কোনেও নিজৰ সংসাৰখনত জুই লগাব নিবিচাৰে। গল্পটোত গল্পকাৰে অতি কোমল সুৰত তথাকথিত আধুনিক উচ্ছৃংখল নাৰীৰ প্রতি বিদ্রূপ প্রতিক্রিয়া ব্যক্ত কৰা দেখা যায়, গল্পকাৰে নিজৰ সংস্কৃতিক পাহৰি বিজতৰীয়া সংস্কৃতি গ্রহণ কৰাৰ পক্ষপাতি নহয়।

স্নেহ দেৱীৰ *'সংকট মুহূর্তত'* গল্পটোত প্রগতিবাদী চিন্তাৰ পৰিস্ফুৰণ ঘটিছে এইদৰে—

"অ সেয়েতো। নহ'লে এই প্রগতিৰ যুগত, মানুহ সকলো ফালে আগুৱাই যোৱা যুগত পুৰণা নীতি-নিয়মবোৰ ভাল বোলা দেখি ভাবিলো... কথা শেষ নকৰি মাধৱীয়ে হাঁহি দিলে। শংকৰে মনতে কৈছিল— প্রগতি, প্রগতিৰ তুমি বুজা কিটো? প্রগতিৰ যুগত তুমি কোনফালে আগুৱাই গৈছা? ছোৱালীয়ে আজি পুৰুষৰ সমানে আগবাঢ়িছে, পাছপৰি থকা নাই— সঁচা কথা, কিন্তু তুমি? উচ্চ শিক্ষাই লাভ কৰিছা নে দেশৰ বা সমাজৰ কিবা উন্নতিৰ কামেই কৰিছা? তোমাৰ নিচিনা ছোৱালীয়ে কাৰো সংসাৰৰ কল্যাণী

> গৃহিণীৰূপেও স্থান লাভ কৰিবলৈ হয়তো সমৰ্থ নহ'বা। তোমাৰ নিচিনা ছোৱালী তিৰোতা জাতিৰ কলংক। তোমালোক সহজলভ্যা, সেয়ে— সকলোৱে তোমালোকৰ ওচৰ চাপিব পাৰে...।"[৩২]

গল্পটোত যুগৰ পৰিবৰ্তনৰ বাবে মাধবীয়ে অতীতক তাচ্ছিল্য কৰিছে যদিও শংকৰৰ মনত পুৰণি সকলো কথাকে উলাই দিব পৰা বিধৰ নহয়। কাৰণ অতীতক লৈয়েই বৰ্তমান হৈছে। সেয়ে মাধবীৰ ভাৱধাৰাক শংকৰে সহজভাবে ল'ব পৰা নাই। কাৰণ তেওঁৰ মতে অতীতক একেবাৰে বিৰ্সজন দিয়াটো প্ৰগতিবাদ হ'ব নোৱাৰে।

*'বিষক্ৰিয়া'* গল্পটোত তথাকথিত অসমীয়া সমাজখনত সমকামিতা সহজে গ্ৰহণ কৰা হোৱা নাছিল। গল্পটোত সন্ধ্যা আৰু ক্ষণপ্ৰভাৰ কাৰ্যাৱলী তদানীন্তন সমাজখনত নিষিদ্ধ আছিল যদিও গল্পকাৰে নিঃসংকোচে চিত্ৰিত কৰিছে। এনে দৃশ্য চিত্ৰণৰ দ্বাৰা গল্পকাৰে সাহসিকতাৰ পৰিচয় দিছে।

ৰামধেনু যুগৰ চুটিগল্পত প্ৰগতিশীল চিন্তাধাৰাই অকল প্ৰসাৰতা লাভ কৰাই নহয়, পৰিপক্কতাও অৰ্জন কৰিছিল। এইখিনি সময়ৰ চুটিগল্পকাৰসকলৰ বৈজ্ঞানিক দৃষ্টিভংগীয়ে তেওঁলোকৰ চিন্তাৰ পৰিধি বিশাল কৰি তুলিছিল। স্নেহ দেৱীৰ গল্পতো এনে প্ৰগতিশীল চিন্তাধাৰাই ঠাই পাইছিল, তেওঁৰ শিক্ষাৰ পৰিসৰ বা অধ্যয়নৰ পৰিসৰ কম আছিল যদিও যুগৰ তাগিদাত তেওঁ দেখি থকা সমাজখনৰ সমসাময়িক অৱস্থাসমূহে তেওঁৰ গল্পত স্থান পোৱা বাবেই প্ৰগতিশীল চিন্তাধাৰাই গল্পবোৰত অজানিতে সোমাই পৰিছিল। কিছু নাৰী চৰিত্ৰৰ মাজেদি এনে প্ৰগতিবাদী চিন্তাৰ উন্মেষ ঘটা দেখা যায়। মানৱীয় মূল্যবোধ, নাৰী মুক্তি, কু-সংস্কাৰৰ প্ৰতি বিদ্ৰোহ, সাম্যবাদী চিন্তাধাৰা আদি বিষয় সমূহ এখেতৰ কিছুমান গল্পত স্থান দি প্ৰগতিবাদী চিন্তাধাৰাৰ প্ৰতিফলন ঘটাবলৈ সক্ষম হৈছে।

**প্ৰসঙ্গটীকা ঃ**

১. অৰবিন্দ ৰাজখোৱা ঃ স্নেহ দেৱীৰ গল্পত সমকালীন সামাজিক প্ৰেক্ষাপট, গৰীয়সী, ২০১৭, পৃ. ৮০

২. প্ৰাপ্তি ঠাকুৰ ঃ ৰামধেনুৰ চুটিগল্প (বিচাৰ আৰু বিশ্লেষণ), পৃ.৩৭

৩. অন্নদা শইকীয়া (সম্পা.) ঃ স্নেহ দেৱীৰ ৰচনা সম্ভাৰ, পৃ.১৬৪

৪. উল্লিখিত গ্ৰন্থ, পৃ.৫৯

৫. উল্লিখিত গ্ৰন্থ, পৃ.৬৫

৬. উল্লিখিত গ্ৰন্থ, পৃ.৫৯

৭. উল্লিখিত গ্ৰন্থ, পৃ.৬১

৮. উল্লিখিত গ্ৰন্থ, পৃ.৬৩

৯. উল্লিখিত গ্ৰন্থ, পৃ.৩০

১০. উল্লিখিত গ্ৰন্থ, পৃ.২০

১১. উল্লিখিত গ্ৰন্থ, পৃ.৩৫৭

১২. হীৰেন দাস (সম্পা.) ঃ অসমীয়া চুটিগল্প, বিবৰ্তন আৰু বিশ্লেষণ, পৃ.১৫৯

১৩. নিত্য বৰা (সম্পা.) ঃ অসমীয়া প্ৰতিদিন, শৰৎ সমগ্ৰ, ২০১৬, পৃ.৫২৭

১৪. প্ৰাপ্তি ঠাকুৰ ঃ ৰামধেনুৰ চুটিগল্প (বিচাৰ আৰু বিশ্লেষণ), পৃ.১৯২

১৫. অন্নদা শইকীয়া (সম্পা.) ঃ স্নেহ দেৱীৰ ৰচনা সম্ভাৰ, পৃ.(জ)

১৬. হোমেন বৰগোহাঞি (সম্পা.) ঃ নীলাচল, ৮ম বছৰ, দ্বিতীয় সংখ্যা,
(যোৱা কুৰি বছৰৰ অসমীয়া চুটিগল্প), পৃ.৪

১৭. প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ.৩৪

১৮. উল্লিখিত গ্ৰন্থ, পৃ.৩৫

১৯. হীৰেন দাস (সম্পা.) ঃ অসমীয়া চুটিগল্প, বিবৰ্তন আৰু বিশ্লেষণ, পৃ.৭১

২০. প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ অসমীয়া চুটিগল্পৰ অধ্যয়ন, বনলতা, পৃ.৯৩

২১. অন্নদা শইকীয়া (সম্পা.) ঃ স্নেহ দেৱীৰ ৰচনা সম্ভাৰ, পৃ.৩১

২২. উল্লিখিত গ্ৰন্থ, পৃ.৬০

২৩. প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ.১১৫

২৪. উল্লিখিত গ্ৰন্থ, পৃ.৪৫৫

২৫. অন্নদা শইকীয়া (সম্পা.) ঃ স্নেহ দেৱীৰ ৰচনা সম্ভাৰ, পৃ.৩৮৪

২৬. উল্লিখিত গ্ৰন্থ, পৃ.৩৮৫

২৭. প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ.৪৫৭

২৮. অন্নদা শইকীয়া (সম্পা.) ঃ স্নেহ দেৱীৰ ৰচনা সম্ভাৰ, পৃ.১৬

২৯. প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ.৪৫৮

৩০. অন্নদা শইকীয়া (সম্পা.) ঃ স্নেহ দেৱীৰ ৰচনা সম্ভাৰ, পৃ.৩৪৪

৩১. প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ.৪৬০

৩২. অন্নদা শইকীয়া (সম্পা.) ঃ স্নেহ দেৱীৰ ৰচনা সম্ভাৰ, পৃ. ২৬৪

# উপসংহাৰ